অধ্যায় ১৩ ঃ বুৰঞ্জী আৰু ব্যৱহাৰিক সাহিত্য

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ বুৰঞ্জী সাহিত্য ঃ সাধাৰণ পৰিচয়
১৩.৩.১ অসমীয়া বুৰঞ্জী সাহিত্যৰ উদ্ভৱ
১৩.৩.২ অসমীয়া বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য
১৩.৩.৩ কেইখনমান অসমীয়া বুৰঞ্জী
অসম বুৰঞ্জী (১) ঃ সুকুমাৰ মহন্তৰ ঘৰৰ পৰা উদ্ধাৰকৃত বুৰঞ্জী
অসম বুৰঞ্জী (২) ঃ আহোম ৰজা জয়ধ্বজ সিংহৰ দিনৰ পৰা গদাধৰ সিংহৰ দিনলৈ থকা বিৱৰণ
১৩.৪ বুৰঞ্জী সাহিত্যৰ পোহৰত প্রতিভাত সমসাময়িক অসমীয়া সমাজ জীৱন
১৩.৫ ব্যৱহাৰিক সাহিত্য
১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৭ অধিক জানিবলৈ
১৩.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'বুৰঞ্জী' শব্দৰ অর্থ বিশ্লেষণ কৰিব পাৰিব
- আহোম স্বর্গদেউসকলৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা অসমৰ বুৰঞ্জী সাহিত্যৰ ইতিহাস জনাৰ লগতে ইয়াৰ প্রকাৰ, স্বৰূপ আৰু প্রকৃতি আলোচনা কৰিব পাৰিব
- অসমৰ লগতে দাঁতিকাষৰীয়া ৰাজ্যৰো দুই-এখন বুৰঞ্জীৰ বিষয়ে অৱগত হ'ব পাৰিব
- বুৰঞ্জী সাহিত্যৰ গদ্যৰাতিৰ বৈশিষ্ট্য আলোচনা কৰিব পাৰিব
- বুৰঞ্জী সাহিত্যৰ আধাৰত সমসাময়িক সমাজ ব্যৱস্থাৰ বিভিন্ন দিশৰ বিশ্লেষণ আগবঢ়াব পাৰিব।
- শঙ্কৰোত্তৰ যুগৰ এটি উল্লেখযোগ্য সাহিত্য ধাৰা ব্যৱহাৰিক সাহিত্য সম্পর্কে আভাস লাভ কৰিব

১৩.২ পৰিচয়

ইয়াৰ পূৰ্বৰ অধ্যায়টিত মধ্যযুগীয় অসমীয়া সাহিত্যৰ অন্যতম চানেকি *চৰিত পুথিৰ* বিষয়ে এক বিস্তৃত আলোচনা আগবঢ়াই অহা হৈছে। বুৰঞ্জী সাহিত্যও এই যুগৰে এটি অনবদ্য সাহিত্য সম্পদ। ইতিহাসৰ ৰঞ্জনেৰে ৰঞ্জিত বুৰঞ্জীসমূহক সাহিত্যত অন্তর্ভুক্ত কৰাক লৈ বিভিন্ন জনৰ মাজত সময়ে সময়ে মতানৈক্য থাকিলেও অসমীয়া ভাষা আৰু সাহিত্যলৈ বুৰঞ্জীসমূহৰ প্রত্যক্ষ অৰিহণাক স্বীকাৰ কৰিবই লাগিব। আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ প্রত্যক্ষ পৃষ্ঠপোষকতাত সৃষ্ট বুৰঞ্জীসমূহ অসমীয়া ভাষা আৰু সাহিত্যৰ বিভিন্ন দিশৰ পিনৰ পৰা বৈশিষ্ট্যপূর্ণ।

চুকাফাৰ নেতৃত্বত আহোমসকল অসমত প্রৱেশ কৰাৰ আগলৈকে অসমৰ ইতিহাসত বুৰঞ্জী লিখাৰ কোনো নিদর্শন নাই। আহোমসকলে অসমত পূর্বে নোহোৱা পৰম্পৰা এটা সৃষ্টি কৰাই নহয়, ইয়াৰ জৰিয়তে অসমৰ ৰাইজক প্রকাৰন্তৰে ইতিহাসৰ জ্ঞানেৰে সমৃদ্ধ কৰিলে। তদুপৰি মধ্যযুগীয় অসমীয়া সাহিত্যৰ গদ্যৰ শক্তিশালী ধাৰা দুটাৰ অন্যতম ধাৰা এটি হ'ল বুৰঞ্জী সাহিত্যৰ গদ্য (আনটি *চৰিত পুথিৰ*)। ক'বলৈ গ'লে *চৰিত পুথিৰ* লগতে বুৰঞ্জীৰ গদ্যইহে দৰাচলতে মধ্যযুগীয় অসমীয়া গদ্যক আধুনিক মাত্রা প্রদান কৰিছিল। সেই পিনৰ পৰাও অসমীয়া সাহিত্যত বুৰঞ্জীসমূহৰ এক সুকীয়া স্থান সদায় আছে। এইখিনিতে এটা কথা উনুকিয়াই থোৱা ভাল হ'ব যে বুৰজী কেৱল ৰজা-মহাৰজা বা ডা-ডাঙৰীয়াসকলৰে ৰাজনৈতিক জীৱন আৰু কার্য্যৰ বিৱৰণ নহয়, বৰং বুৰঞ্জীৰ ঘটনাৰ আঁৰে আঁৰে সমসাময়িক সময়ৰ সমাজ ব্যৱস্থাৰ বিভিন্ন দিশৰো বর্ণনা পোৱা যায়। এই গুণৰ বাবে বুৰঞ্জীখিনিয়ে সাহিত্যৰ মর্য্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। সি যি হওক মধ্যযুগীয় অসমৰ প্রতিটো দিশৰ অধ্যয়নৰ বাবে এই বুৰঞ্জী সাহিত্যসমূহ উপযুক্ত দলিল বুলিব পাৰি।

এই অধ্যায়ত অসমত বুৰঞ্জীৰ উদ্ভৱৰ পৰা আদি কৰি প্রণিত একাধিক বুৰঞ্জীৰ পৰিচয় দিয়াৰ লগতে বুৰঞ্জীসমূহৰ সাহিত্যিক বৈশিষ্ট্য আৰু সামাজিক চিত্রৰ আলোচনাৰো প্রয়াস কৰা হ'ব।

১৩.৩ বুৰঞ্জী সাহিত্য ঃ সাধাৰণ পৰিচয়

বুৰঞ্জী সাহিত্য আহোমসকলৰ অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিলৈ অনবদ্য দান। বুৰঞ্জী লিখা বা কোনো ঘটনা লিপিবদ্ধ কৰি ৰখাতো আহোমসকলৰ পুৰণি প্রথা। সেয়েহে চুকাফাই অসমত প্রৱেশ কৰাৰ পাছতে তেওঁৰ লগত অহা মহন-বাইলুঙক সন্মুখত ঘটা প্রতিটো ঘটনা লিপিবদ্ধ কৰি যাবলৈ নির্দেশ দিয়ে আৰু মোহন-বাইলুঙেও চুকাফাৰ নির্দেশ ক্রমে সকলো ঘটনা লিপিবদ্ধ কৰিবলৈ হাতত কাপ-মৈলাম তুলি লোৱাৰ লগে লগে অসমত এইবিধ নব্য পৰম্পৰাৰ সূচনা হয়।

'বুৰঞ্জী' শব্দটো টাই বা তাই মূলীয়। আহোমসকলে তেওঁলোকৰ পূর্বপুৰুষৰ বসতিস্থল থাইলেণ্ডৰ পৰাই অসমলৈ বুৰঞ্জী লিখাৰ পৰম্পৰাটো যে লগত লৈ আহিছিল তাত নিশ্চয় সন্দেহ নাই। গতিকে শব্দটোও তাৰ পৰাই অহা। আহোমসকলে বুৰঞ্জীক বৰ সন্মানৰ চকুৰে চাইছিল।

বুৰঞ্জী লিখাটো তেওঁলোকে আন নৈতিক ধর্মৰ দৰেই জ্ঞান কৰিছিল। 'বুৰঞ্জী' শব্দটোৰ অর্থ তাৎপর্য্যপূর্ণ— "মুর্খৰ শিক্ষাৰ ভঁৰাল" বা "মুর্খৰ জ্ঞানৰ ভঁৰাল"। বুৰঞ্জীবিদ সূর্য্যকুমাৰ ভূঞাৰ পৰা ভাষাবিদ গ্রীয়ের্ছনলৈকে, আনকি হেমচন্দ্র গোস্বামী, পদ্মনাথ গোহাঁঞি বৰুৱা প্রভৃতি সকলো স্তৰৰ লোকসকলে এই একেটা অর্থকে সমর্থন কৰিছে।

আহোমসকলে বুৰঞ্জী লিখাৰ উদ্দেশ্য মন কৰিবলগীয়া। বুৰঞ্জী শিক্ষাৰ জৰিয়তে উঠি অহা নতুন প্রজন্মক উৎসাহ আৰু অনুপ্রেৰণা যোগোৱাৰ লগতে তেওঁলোকে ভৱিষ্যতৰ গতিপথ নির্ণয়তো এই বুৰঞ্জীবোৰে প্রভূত প্রভাৱ পেলাব বুলি তেওঁলোকৰ বিশ্বাস। কেৱল এয়ে নহয় চকলং অনুষ্ঠানত (আহোমৰ বিবাহ পদ্ধতি) বুৰঞ্জীৰ কাহিনী পঢ়াই শুনোৱাতো আহোমসকলে অপৰিহার্য্য জ্ঞান কৰিছিল বুলি বুৰঞ্জীবিদ সূর্যকুমাৰ ভূঞাই উল্লেখ কৰিছে। ইয়াৰ পৰাই বুজা যায় আহোমসকলৰ বুৰঞ্জীৰ প্রতি থকা শ্রদ্ধাৰ কথা।

'বুৰঞ্জী' শব্দটোৰ বুজাবলৈ ইংৰাজীত কেবাটাও সমার্থক শব্দ আছে। তাৰে ভিতৰত Chronicle, Annals আৰু History অন্যতম। বর্তমান প্রচলিত ভাষাবোৰত 'বুৰঞ্জী'ৰ সমার্থক হিচাপে জনপ্রিয়ভাৱে History শব্দটো ব্যৱহাৰ হ'লেও পুৰণি বুৰঞ্জীবোৰ যে Chronicleহে তাক লীলা গগৈয়ে তেওঁৰ *বুৰঞ্জী সাহিত্যত* উল্লেখ কৰিছে। অৱশ্যে সূর্য্যকুমাৰ ভূঞাই মধ্যযুগত বুৰঞ্জী বুজাবলৈ Chronicle, Annals অথবা History এই তিনিওটা ৰূপকে সমানে ব্যৱহাৰ কৰিছিল বুলি উল্লেখ কৰিছে। সূর্যকুমাৰ ভূঞাইয়ো *তুংখুঙ্গীয়া বুৰঞ্জী* অনুবাদ কৰোঁতে 'Chronicle of the Tungkhungiya Dynasty' অথবা *পাদশ্যাহ বুৰঞ্জী* অনুবাদ কৰোঁতে আকৌ 'Annals of the Delhi Badshahet' বুলিহে উল্লেখ কৰিছে। অথচ দুয়োখন বুৰঞ্জীৰ তেনে কোনো ৰীতিগত পার্থক্য নাই। তথাপি লীলা গগৈয়ে তিনিওটা শব্দৰ ভিতৰত Chronicle শব্দটোহে বুৰঞ্জীৰ বেছি ওচৰ চপা বুলি কৈছে। কাৰণ হয়তো এইটোৱে যে পুৰণি বুৰঞ্জীবোৰ হৈছে ঘটনাবোৰৰ কালানুক্রমিক বিৱৰণ মাথোন। বুৰঞ্জীসমূহলৈ লক্ষ্য কৰিলে এইটো প্রতীয়মান হয় যে আহোম ৰাজৰ ছশ বছৰীয়া ৰাজত্বৰ কাহিনীবোৰ কালানুক্রমিক ৰূপত এফালৰ পৰা বর্ণনা কৰা হৈছে।

ইতিমধ্যে ওপৰত উল্লেখ কৰা হৈছে যে বুৰঞ্জী আহোমৰ অতিকে সন্মানৰ বস্তু। শিক্ষা লাভৰ অংশ হিচাপে তেওঁলোকে বুৰঞ্জীকেই আগস্থান দিছিল। ৰাজকোঁৱৰকে আদি কৰি ডা-ডাঙৰীয়াসকলৰ সন্তানসকলকো কাহিনীৰ চলেৰে বুৰঞ্জীৰ শিক্ষা দান কৰা পৰম্পৰা আহোমসকলৰ পুৰণি অভ্যাস। ইয়াৰ পৰা এইটো প্রতীয়মান হয় যে আহোম যুগত বুৰঞ্জী চর্চাৰ ধাৰাটো লিখিত আৰু মৌখিক দুয়োটা ৰূপতে চলিছিল বুলিব পাৰি। যিহেতু আহোমসকলৰ মাজত তেওঁলোকৰ পূর্বপুৰুষৰ বুৰঞ্জী জনাটো নৈতিক কর্তব্য বুলি জ্ঞান কৰাতেই লিখিত ধাৰাৰ সমান্তৰালভাৱে মৌখিক ধাৰা এটিও যে প্রবাহিত হৈ আছিল তাক সহজে অনুমান কৰি ল'ব পাৰি।

সি যি হওক 'মুর্খৰ জ্ঞানৰ ভঁৰাল' স্বৰূপ বুৰঞ্জীসমূহ আহোমৰ আন অনেক দানৰ ভিতৰত শ্রেষ্ঠ দান। ইয়াত ১২২৮ৰ পৰা ১৮২৬ খ্রীষ্টাব্দলৈ আহোমৰ গৌৰৱময় প্রায় ৬০০শ বছৰীয়া ৰাজত্ব কালৰ ৰজা আৰু ডা-ডাঙৰীয়া সকলৰ ৰাজকার্য্য, উত্থান-পতন, যুদ্ধ-বিগ্রহ, ঘৰুৱা সংঘাত আৰু ওচৰ-চুবুৰীয়া ৰাজ্যৰ সৈতে সংঘাত আৰু সম্পর্ক, প্রতিষ্ঠা ধ্বংস আদি বিবিধ বিষয়ৰ বর্ণনাৰে

সমৃদ্ধ বুৰঞ্জী সাহিত্যখিনি কেৱল অসমৰ বাবেই নহয় ভাৰতীয় প্ৰেক্ষাপটতো সমানেই সমাদৃত সাহিত্য সম্পদ। যি বুৰঞ্জীৰ আধাৰত বৃহত্তৰ অসমীয়া সংস্কৃতি আৰু অসমীয়া গদ্যৰ সোঁতটিয়ে নতুন গতি লাভ কৰিবলৈ সক্ষম হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ 'বুৰঞ্জী' শব্দৰ উৎপত্তি আৰু অৰ্থ চমুৱাই লিখক। (১৫০টা শব্দৰ ভিতৰত লিখক)

১৩.৩.১ অসমীয়া বুৰঞ্জী সাহিত্যৰ উদ্ভৱ

মধ্যযুগীয় অসমীয়া সাহিত্যৰ বুৰঞ্জীত বিভিন্ন সাহিত্য সম্পদৰ ভিতৰত বুৰঞ্জী সাহিত্যখিনিৰ অৱদান অন্যতম। ই অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ আহোমসকলৰ সমস্ত দানৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ দান হিচাপে পৰিগণিত হৈছে। আমি ওপৰত এই বিষয়ে কিছু কথা উল্লেখ কৰা হৈছে। আমি লগতে ইয়াকো উল্লেখ কৰা হৈছে যে আহোমসকলে অসমত বুৰঞ্জী লিখাৰ পৰম্পৰা আৰম্ভ কৰাৰ আগতে অসমত বুৰঞ্জী জাতীয় লিখনিৰ কোনো নিদৰ্শন নাই। যাৰ বাবে ত্ৰয়োদশ শতিকাৰ পূৰ্বৰ সময় ইতিহাস সম্বন্ধে জানিবলৈ কেৱল ৰজাসকলৰ ভূমিদান কৰা ফলি, ৰাজ প্ৰশস্তিমূলক কোনো ৰচনা অথবা কোনো প্ৰাচীন কীৰ্তিৰ চিহ্ন আৰু কোনো পৌৰাণিক পুথি-পাজি চাই আনকি বহু ক্ষেত্ৰত অনুমান নিৰ্ভৰ কথাকো স্থান দিবলগীয়া হৈছিল। আহোমসকলৰ বুৰঞ্জী সাহিত্যৰ সৃষ্টিয়ে এনে অভাৱ দূৰ কৰিলে বুলিয়ে ক'ব লাগিব, কাৰণ আহোমৰ ৰাজঘৰীয়া পৃষ্ঠপোষকতাত ধাৰাবাহিক বুৰঞ্জী সাহিত্য ৰচনা হোৱাৰ লগে লগে অসমৰ ইতিহাস জানিবলৈ বুৰঞ্জী-সমূহকে প্ৰামাণিক দলিল হিচাপে প্ৰথমেই আঙুলিয়াই দিব পাৰি।

এইদৰে সম্পূৰ্ণৰূপে প্ৰত্যক্ষ ৰাজঘৰীয়া পৃষ্ঠপোষকতাত অসমীয়া বুৰঞ্জী সাহিত্যৰ উদ্ভৱ হৈছিল। চুকাফাৰ নেতৃত্বত আহোমসকলে অসমত প্ৰৱেশ কৰিয়েই যে বুৰঞ্জী লিখাৰ পৰম্পৰা হঠাতে আৰম্ভ কৰিছিল তেনে নহয়, তেওঁলোকৰ আদিম তথা পূৰ্বপুৰুষৰ মাজতো বুৰঞ্জী লিখা, শ্ৰৱণ কৰা আৰু কৰোৱা এটি জাতিগত পৰম্পৰা পূৰ্বৰ পৰাই আছিল, যি পৰম্পৰাই অসমত ইতিহাস সৃষ্টি কৰিবলৈ সক্ষম হৈছে। কেৱল ইতিহাস সৃষ্টিয়ে নহয়, তাৎপৰ্য্যপূৰ্ণ কথাটো এয়ে যে আজিৰ অসমীয়াই ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বুৰঞ্জী সাহিত্যৰ জৰিয়তে নিজকে উচ্চ চিন্তাৰ জাতি হিচাপে পৰিগণিত হ'ব পাৰিছে। বুৰঞ্জীৰ সন্দৰ্ভত কৰা গ্ৰীয়ৰ্ছন চাহাবৰ এটি উক্তি এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। তেওঁ কৈছিল—

"The Assamese are justly proud of their national literature. In no department have they been more successful than in a branch of study in which India, as a rule is curiously deficient. The historical works or Buranjis are numerous and

voluminous. A knowledge of the Burjanjis was an indespensable qualification to an Assamese gentlemen (Linguistics Servey of India, Vol. 1, Part 1).

গ্ৰীয়েৰ্ছনৰ মন্তব্যৰ পৰা এইটোৱে প্ৰতিপন্ন হয় যে কেৱল অসমীয়া সাহিত্যতে নহয়, বুৰঞ্জীসমূহ ভাৰতীয় সাহিত্যৰ বাবেও সমানে মূল্যৱান সম্পদ।

এইখিনিতে এটা কথা কৈ থোৱা ভাল হ'ব যে আহোমসকলে পোনপ্ৰথমে টাই বা তাই ভাষাতহে বুৰঞ্জী লিখিছিল। কাৰণ তেতিয়াও তেওঁলোকে স্থানীয় ভাষা আয়ত্ব কৰিবলৈ সক্ষম হোৱা নাছিল। কিন্তু লাহে লাহে স্থানীয় যুৱতীৰ সৈতে বৈবাহিক সম্বন্ধ গঢ়ি তোলাৰ লগে লগে স্থানীয় লোকৰ সংস্পৰ্শলৈ অহাত অসমীয়া ভাষা সম্পূৰ্ণ ৰূপে আয়ত্ব কৰাই নহয় নিজ ভাষা টাই লাহে লাহে দ্বিতীয় ভাষাত পৰিণত হ'বলৈ ধৰে। তদুপৰি ৰজাকে আদি বহু ৰজাঘৰীয়া ডা-ডাঙৰীয়াই পূৰ্বৰ ধৰ্ম পৰিত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰাত বুৰঞ্জীৰ ভাষালৈও পৰিৱৰ্তন আহিবলৈ আৰম্ভ কৰে। অৱশ্যে অসমীয়া ভাষাত প্ৰথম কেতিয়া বুৰঞ্জী লিখিবলৈ ধৰে এই সম্পৰ্কে নিশ্চিত নহ'লেও বহুতো পণ্ডিতৰ মতে হেমচন্দ্ৰ গোস্বামী সম্পাদিত *পুৰণি অসম বুৰঞ্জী* আৰু *বাঁহগড়ীয়া আতন বুঢ়াগোঁহাইৰ বুৰঞ্জী* দুখনেই অসমীয়া ভাষাৰ প্ৰথম তথা সৰ্বপ্ৰাচীন বুৰঞ্জী বুলি অভিহিত কৰিছে। উক্ত বুৰঞ্জী দুখনক অসমীয়া ভাষাত কৰাৰ ক্ষেত্ৰত পণ্ডিত সকলৰ মাজত বিশেষ দ্বিমত নাই যদিও ৰচনাকালক লৈ কিন্তু কিছু মতভেদ নোহোৱা নহয়। বুৰঞ্জীবিদ লীলা গগৈৰ মতে ষোড়শ শতিকাৰ আদি ভাগ; সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে সপ্তদশ শতিকা; মহেশ্বৰ নেওগৰ মতে ষোড়শ শতিকাৰ মাজভাগ; নবীন চন্দ্ৰ শৰ্মাৰ মতে সপ্তদশ শতিকাৰ শেষ ভাগৰ পৰাহে অসমীয়া লিপি বা অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ পৰ্ব আৰম্ভ হয়। উল্লেখযোগ্য যে এইদৰে অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ সময়ক লৈ কিছু মতবিৰোধ থাকিলেও অসমীয়া বুৰঞ্জী সাহিত্যৰ লিখনৰ সণ্ঢালনি পৰ্ব আৰম্ভ হয় অষ্টাদশ শতিকাত। অৰ্থাৎ অধিকাংশ অসমীয়া ভাষাৰ বুৰঞ্জীয়েই অষ্টাদশ শতিকাত ৰচিত।

টাই লিপি বা টাই ভাষাৰে আৰম্ভ হোৱা আৰু ঊনবিংশ শতিকাৰ শেষ ভাগলৈকে পুৰণি পৰম্পৰাৰ অনুকৰণত চলি থকা সমগ্ৰ বুৰঞ্জী সাহিত্যক নবীন চন্দ্ৰ শৰ্মাই চাৰিটা ভাগত ভাগ কৰি দেখুৱাইছে—

ক) আহোম বা টাই লিপি আৰু টাই ভাষাত ৰচিত বুৰঞ্জী
খ) টাই লিপিৰে অসমীয়া ভাষাত ৰচিত বুৰঞ্জী
গ) অসমীয়া লিপিৰে টাই ভাষাত ৰচিত বুৰঞ্জী
ঘ) অসমীয়া লিপিৰে অসমীয়া ভাষাত ৰচিত বুৰঞ্জী

বুৰঞ্জীসমূহক যদিও ৰজাঘৰীয়া প্ৰত্যক্ষ পৃষ্ঠপোষকতাত ৰচিত সাহিত্য সম্পদ বুলি কোৱা হয় তথাপি ব্যক্তিগত উদ্যোগতো একাধিক বুৰঞ্জী ৰচিত হৈছিল। সেইপিনৰ পৰাও বুৰঞ্জীসমূহক আন দুটা ভাগত ভাগ কৰা হয়— ৰজাঘৰীয়া আৰু ব্যক্তিগত।

ব্যক্তিগত বুৰঞ্জীসমূহত লেখকৰ চিন্তা-চৰ্চা আৰু উপলব্ধি অনুসাৰে ব্যক্তিগত স্বাধীনতাৰে বুৰঞ্জীৰ কাহিনী প্ৰণয়ন কৰিছিল। অৱশ্যে ব্যক্তিগত উদ্যোগত ৰচিত হ'লেও ৰজাঘৰীয়া বুৰঞ্জীৰ গাত আঁউজিয়েই এইবোৰ বুৰঞ্জীও ৰচিত। কেৱল কেতিয়াবা জঁকাটো একে ৰাখি নিজস্ব চিন্তা অনুযায়ী বিষয়বস্তুৰ বঢ়া-টুটা কৰিছিল।

এইদৰে ৰজাঘৰীয়া উদ্যোগতে হওক বা ব্যক্তিগত উদ্যোগতে হওক অলেখ বুৰঞ্জী ৰচিত হৈছিল। লীলা গগৈয়ে বুৰঞ্জীৰ সংখ্যা হাজাৰ বুলি কৈছে যদিও উদ্ধাৰ কৰা বুৰঞ্জীৰ সংখ্যা অৱশ্যে ডেৰশমানহে হ'ব বুলি উল্লেখ কৰিছে। হাজাৰৰ ঘৰত ৰচিত এনে বহু বুৰঞ্জী হয়তো বিভিন্ন কাৰণত ধ্বংসপ্ৰাপ্ত হৈছিল। বিভিন্ন অনুসন্ধানকাৰী পণ্ডিতে বুৰঞ্জী ধ্বংসৰ মূলতে ৰাজনৈতিক, সামাজিক আৰু প্ৰাকৃতিক কাৰণ কিছুমানলৈ আঙুলিয়ায়। ৰাজনৈতিক কাৰণৰ ভিতৰত সঘনাই ঘটি থকা যুদ্ধ-বিগ্ৰহ, সামাজিক কাৰণৰ ভিতৰত গৃহকন্দল আৰু প্ৰাকৃতিক কাৰণৰ ভিতৰত প্ৰাকৃতিক দুৰ্যোগ, যেনে— বানপানী, বনজুই, নিগনি-এন্দৰ, পঁইতাচোৰাৰ দৰে প্ৰাণীৰ উৎপাত ইত্যাদিকে তেওঁলোক বুৰঞ্জী ধ্বংসৰ বাবে প্ৰধান কাৰণ বুলি ক'ব খোজে। 'কীৰ্তিচন্দ্ৰ ৰৰবৰুৱাৰ বুৰঞ্জী-দাহ' নামৰ বুৰঞ্জী প্ৰসিদ্ধ ঘটনাই ধ্বংসৰ প্ৰমাণ দাঙি ধৰে।

বুৰঞ্জী সাহিত্যৰ সন্দৰ্ভত আৰু এটা কথা উল্লেখ কৰাটো সমীচিন হ'ব। সেয়া হৈছে যদিও বুৰঞ্জী আহোমসকলৰ নিজা সম্পত্তি, সেই বুলি তেওঁলোকে আহোম ৰাজত্ব বা ৰাজ শাসনৰ কথাই বুৰঞ্জীত অন্তৰ্ভুক্ত কৰা নাই। ৰৰং ওচৰ-চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে হোৱা যুদ্ধ-বিগ্ৰহৰ উপৰি কূটনৈতিক সম্পৰ্ককে আদি কৰি অন্য ৰাজ্যৰ বুৰঞ্জীও লিখা হৈছিল। *ত্ৰিপুৰাৰ বুৰঞ্জী*, *পাদশ্যাহ বুৰঞ্জী* আদিয়েই ইয়াৰ উপযুক্ত উদাহৰণ বুলিব পাৰি। সেইদৰে কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী অথবা দাঁতিঅলীয়া বুৰঞ্জীও অনা-আহোম ৰাজত্বৰ বুৰঞ্জীৰ উৎকৃষ্ট উদাহৰণ। তদুপৰি কোনো নিৰ্দিষ্ট ফৈদৰ বিৱৰণেৰেও বুৰঞ্জী লিখা হৈছিল। *তুংখুঙ্গীয়া বুৰঞ্জী* এনে বুৰঞ্জীৰ নিদৰ্শন। যুদ্ধ-বিগ্ৰহৰ সা-সামগ্ৰী, সৈন্য-সজ্জা আদিৰ বিষয়বস্তুৰেও দুই-এখন বুৰঞ্জী লিখা হৈছিল। ইয়াৰ পৰা এইটোৱেই প্ৰমাণ হয় যে বুৰঞ্জীসমূহ এক বৈচিত্ৰ্যময় ধাৰাৰে ৰচিত আৰু বিকশিত সাহিত্য সম্ভাৰ।

তলত অসমৰ প্ৰসিদ্ধ বুৰঞ্জীবিদ সূৰ্য্যকুমাৰ ভূঞা আৰু লীলা গগৈৰ অসমীয়া বুৰঞ্জীৰ শ্ৰেণীবিভাজন উল্লেখ কৰা হ'ল।

সূৰ্য্যকুমাৰ ভূঞাৰ মতে বিষয়বস্তুৰ অনুসৰি অসমীয়া বুৰঞ্জীখিনিৰ তিনিটা প্ৰধান শ্ৰেণী হ'ল—

- ৰজা ভগদত্তৰ সময়ৰ পৰা আহোম ৰাজত্বৰ আৰম্ভণিলৈকে প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ অসংলগ্ন ইতিহাস।
- আহোম ৰাজত্বৰ আৰম্ভণি অৰ্থাৎ ১২২৮ খ্ৰীষ্টাব্দৰ পৰা তেওঁলোকৰ ৰাজ শাসনৰ শেষ সময় বা তাৰো পাছলৈকে থকা আহোম ৰাজ্যৰ বুৰঞ্জী।
- অসমৰ বাহিৰে ওচৰ-চুবুৰীয়া ৰাজ্য বা অন্য দেশৰ বুৰঞ্জী।

লীলা গগৈয়ে অসমীয়া বুৰঞ্জীখিনিক সাতোটা ভাগত ভাগ কৰি দেখুৱাইছে। তেওঁৰ শ্ৰেণীবিভাগ এনে ধৰণৰ—

- প্ৰাক্-আহোম যুগৰ বুৰঞ্জী
- আহোম যুগৰ বা আহোম ৰজাৰ বুৰঞ্জী
- দাঁতিঅলীয়া বুৰঞ্জী
- অন্য ৰাজ্যৰ বুৰঞ্জী
- কটকী বুৰঞ্জী
- ঢেকীয়ালৰ বুৰঞ্জী আৰু
- চাং-ৰুং ফুকনৰ বুৰঞ্জী।

শ্ৰেণী বিভাজন যি হওক এতিয়া আৰু বুৰঞ্জী আহোমসকলৰ ৰাজঘৰীয়া গন্ধীয়া ভঁৰালৰ সম্পত্তি নহয়। বুৰঞ্জী অসমীয়া জাতীয় জীৱনৰ ইতিহাস। ইয়াত কেৱল ৰাজ অথবা ৰাজত্বৰ কাহিনীয়েই লিপিবদ্ধ কৰা হোৱা নাই। বুৰঞ্জীতো *চৰিত পুথিৰ* দৰেই সমসাময়িক সমাজৰ সামাজিক চিত্ৰৰ লগতে ৰাজনৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশৰ নানা কথাৰ উল্লেখ এই বুৰঞ্জীসমূহৰ পৰাই পাব পাৰি। আটাইতকৈ ডাঙৰ কথা বুৰঞ্জী লেখকসকলে ভাষাৰ একেবাৰে ব্যৱহাৰিক ৰূপটোকহে বুৰঞ্জীসমূহত ব্যৱহাৰ কৰিছিল, যাৰ কাৰণে বুৰঞ্জীসমূহ সকলো স্তৰৰ মানুহৰে বোধগম্য হোৱাত সহায়ক হৈছিল। এই ক্ষেত্ৰত সূৰ্য্যকুমাৰ ভূঞাৰ মন্তব্য অতি তাৎপৰ্য্যপূৰ্ণ। তেওঁ কৈছে— "বুৰঞ্জীৰ কথা শুকান হাৰ-ছাল নহয়; তাত ভাবৰ সমাৱেশ আৰু আৱেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। সেই দেখি এই বুৰঞ্জীসমূহক বুৰঞ্জীৰ শাৰীৰ পৰা আনি বিশুদ্ধ সাহিত্যৰ অঙ্গীভূত কৰা হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব সঙ্গম ব্ৰিটিছৰ পূৰ্ব যুগৰ কোনো ভাৰতীয় সাহিত্যত দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহয়।" গতিকে অসমীয়া সাহিত্যাকাশত বুৰঞ্জীসমূহৰ অৱদান নিশ্চিভাৱে অন্যতম।





গন্ধীয়া ভঁৰাল ঃ গন্ধীয়া ফুকন আৰু গন্ধীয়া বৰুৱাৰ তত্ত্বাৱধানত পৰিচালিত ভঁৰাল। য'ত আন নথি-পত্ৰৰ লগতে পুৰণি বুৰঞ্জীসমূহ সংৰক্ষিত কৰি ৰখা হৈছিল।

চিন্তা-চৰ্চা কৰক ১৩.১

অসমীয়া বুৰঞ্জী সাহিত্যৰ উদ্ভৱ সম্পৰ্কে লিখিবলৈ যত্ন কৰক।
(২৫০টা শব্দৰ ভিতৰত লিখক।)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ 'অসমীয়া বুৰঞ্জী সাহিত্য'ৰ শ্ৰেণীবিভাজন কৰি দেখুওৱাক। (২৫০টা শব্দৰ ভিতৰত লিখক)

১৩.৩.২ অসমীয়া বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য

অসমীয়া বুৰঞ্জী সাহিত্যসমূহ অসমীয়া ভাষা আৰু সাহিত্যৰ উভয় দিশতে বৈশিষ্ট্যপূৰ্ণ। বিষয়বস্তুৰ পৰা লেখন ৰীতিলৈ সকলো দিশতে এনে বিভিন্ন বৈশিষ্ট্য চকুত পৰে। আধুনিক অসমীয়া গদ্য সাহিত্যৰ ক্ৰমবিকাশ বুলিলে বুৰঞ্জীত গদ্য আৰু *চৰিত পুথিৰ* গদ্যৰ পৰাই ধৰা হয়। কিন্তু সত্ৰীয়া পৰিৱেশত সৃষ্ট *চৰিত পুথিত* থকা ভকতীয়া গদ্যৰীতিৰ পৰিৱৰ্তে দৈনন্দিন জীৱনত ব্যৱহৃত ভাষাৰ ব্যৱহাৰিক ৰূপটোক বুৰঞ্জীত ব্যৱহাৰ কৰা হেতুকে বুৰঞ্জীৰ ভাষা চৰিতৰ গদ্যতকৈও বহু ক্ষেত্ৰত ঘৰুৱা বুলি অনুভৱ নোহোৱাকৈ নাথাকে। যি হওক যিবোৰ দিশৰ বাবে বুৰঞ্জীসমূহ বৈশিষ্ট্যপূৰ্ণ হৈ পৰিছে তেনে বিশেষত্বপূৰ্ণ দিশবোৰ তলত উল্লেখ কৰা হ'ল—

- বুৰঞ্জীৰ প্ৰথম আৰু প্ৰধান বৈশিষ্ট্যটোৱেই হ'ল ইয়াৰ ভাষা কৃত্ৰিমতা বৰ্জিত। ঐহিক জীৱনত মানুহে যিটো ভঙ্গীৰে কথা-বতৰা পাতে সেই কথনভঙ্গীকে বুৰঞ্জীকাৰ সকলে গ্ৰহণ কৰিছে। ব্যৱহাৰিক জীৱনৰ এই অনাড়ম্বৰ তথা অকৃত্ৰিম ভাষাশৈলীয়ে বুৰঞ্জীৰ গদ্য ভাষাক অধিক ঘৰুৱা কৰি তুলিছে। কিন্তু সেই বুলি বুৰঞ্জীক নীৰস কৰি পেলোৱাও হোৱা নাই। বৰং ইয়াৰ ভাৱ আৰু ভাষাৰ অপূৰ্ব মিশ্ৰণে সাহিত্যৰ মৰ্যাদা প্ৰদানত সহায়হে কৰিছে বুলিহে ক'ব লাগিব। লীলা গগৈৰ ভাষাত "অসমীয়া বুৰঞ্জী কেৱল তথ্যপাতিৰ একোটা নিৰস টোপোলাই নহয়, ই সাহিত্যৰ ৰসাল ফল বুলিব পাৰি।" কাৰণ বাস্তৱ বৰ্ণনাৰ সমান্তৰালভাৱে মানৱীয় অনুভূতিমূলক বৰ্ণনাও ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়।
- বুৰঞ্জীসমূহ সত্যৰ ওপৰত প্ৰতিষ্ঠিত। মহেশ্বৰ নেওগে বুৰঞ্জীক সত্যবাদিতাৰ এক ঐতিহ্যৰ ওপৰত প্ৰতিষ্ঠিত বুলি উল্লেখ কৰিছে। বুৰঞ্জীবিদ গেইট চাহাবেও বুৰঞ্জীবোৰক বিশ্বাসযোগ্য গ্ৰন্থ বুলি অভিহিত কৰিছিল। বুৰঞ্জীকাৰসকলে এই সত্যনিষ্ঠতা অটুট ৰখাৰ বাবে শক, মাহ, দিন-বাৰ আনকি কেতিয়াবা কেতিয়াবা তিথি, দণ্ড-পল পৰ্যন্ত সন্নিৱিষ্ট কৰিছিল। যেনে— "তাত পাচে ১৬২৯ শকত জয়ন্তী দেশ মাৰিলে।" *(পুৰণি অসম বুৰঞ্জী)*
- বুৰঞ্জীৰ ভাষা পোনপটীয়া। যিকোনো বিষয়ৰ বৰ্ণনা পোনপটীয়া আৰু সহজ-সৰল। দ্ব্যৰ্থকতা ভৰা ভাষাৰ সমাৱেশ বুৰঞ্জীৰ গদ্যত নাই। আনকি কোনো কথাৰ অতিৰঞ্জিত বৰ্ণনাও নাই। যেনে— "মোৰ লৰা-লুৰি নাই। এতেকে আগ-পাছলৈকো আশা নাই। মই ৰজা হলে ভাল নহয়। তুমিয়েহে ৰজা হবলৈ ভাল। তথাপি তুমি তেও ৰজা নোহোৱা। ভাল, ময়ে ৰজা হৈ ৰজা নাম লৈ খাই থাকিম; ৰাজ্যপাট সকলোখিনি তোমাৰহে।" *(দেওধাই বুৰঞ্জী)*
- নিৰপেক্ষ দৃষ্টিভঙ্গী বুৰঞ্জীৰ এটা অন্যতম বৈশিষ্ট্য। বুৰঞ্জী ৰচোঁতাসকলে সত্যনিষ্ঠতাৰ বাবে বা সকলো কথা সত্যৰ আধাৰত প্ৰকাশ কৰিবলৈ যোৱাৰ ফলত ৰচয়িতাসকলৰ

ব্যক্তি স্বাধীনতা অথবা নিজস্ব দৃষ্টিভঙ্গী, আবেগ-অনুভূতি প্ৰকাশৰ সুবিধা প্ৰায় নাই বুলিবই পাৰি।

- বুৰঞ্জীসমূহ পৰস্পৰে পৰস্পৰৰ বিৰোধ কেতিয়াও দেখা নাযায়। অৰ্থাৎ বিভিন্ন বিষয় বা ঘটনাক বিভিন্ন লেখকে বৰ্ণনা দিয়াৰ সময়ত বুৰঞ্জীসমূহ যেন ইখনৰ প্ৰতি সিখন পৰস্পৰৰ নিৰ্ভৰশীলহে, বিৰোধী নহয়।
- সংক্ষিপ্ততা বুৰঞ্জীৰ আন এটা উল্লেখনীয় বৈশিষ্ট্য। সৰল বাক্যবিন্যাস আৰু চুটি চুটি বাক্যৰ প্ৰয়োগেৰে এই সংক্ষিপ্ততা ৰক্ষা কৰা দেখা যায়। কিন্তু সেই বুলি ভাবৰ গাম্ভীৰ্য আৰু বিষয়বস্তুৰ স্পষ্টতাত যেন ক'তোৰেই ব্যাঘাত জন্মা নাই। যেনে— "দুল্লভ দানী মানী যশস্বী ৰাজা হল। এঞে পূৰ্ব্ব জন্মত ব্ৰাহ্মণ আছিল। সন্ন্যাসী হৈ মণিকূট পৰ্ব্বতত তপস্যা কৰিছিল, সৌমাৰ পিঠত ৰাজা হবলৈ, পাচে তেঞে ১৬২৮ শকত হিড়িম্বদেশক আক্ৰমি ললে।..."
- বুৰঞ্জীৰ কথাৰীতিৰ ক্ষেত্ৰত এটা প্ৰধান বৈশিষ্ট্য হ'ল বৰ্ণনাৰ মাজে মাজে কথোপকথন ৰীতিৰ প্ৰয়োগ।এনে ৰীতিয়ে তৎকালীন সমাজৰ কথনভঙ্গীৰ ঠাঁচ দাঙি ধৰাৰ লগতে বুৰঞ্জীৰ গদ্য নাটকীয় কৰি তুলিছে। যেনে— "বুঢ়াফুকনে সুধিলে, 'ডেবেৰাএ বোলে, নুশুনিছহক নিকি? এক দেহা, দশমৰ পদ মইহে কৰিছো, তয়ো কৰিবি।' ফুকনে বোলে, 'এতিয়া নমৰিবি?' ডেবেৰাএ বোলে, 'মোক তঞি পুৰুষেহে মাৰিবি, তোক একা ঘৰৰ তিৰীয়ে মাৰিব। আমাক দোষ দিলে কি হব? কালে যেই কৰে সেই হয়।" *(দেওধাই বুৰঞ্জী)*
- বৰ্ণনাৰ শৃঙ্খলাবদ্ধতা বুৰঞ্জীসমূহৰ আন এটি প্ৰধান বৈশিষ্ট্য। অৰ্থাৎ ঘটনাৰ সকলো বিৱৰণ শৃঙ্খলাবদ্ধভাৱে এফালৰ পৰা দাঙি ধৰা হয়। এনে শৃঙ্খলাবদ্ধ বিৱৰণে বুৰঞ্জী সাহিত্যৰ ৰচনাৰীতিক অধিক বিজ্ঞানসম্মত কৰি তোলাত সহায় কৰিছে বুলি ক'ব লাগিব।
- আমি ইতিমধ্যে সূৰ্যকুমাৰ ভূঞাৰ মন্তব্যৰে উল্লেখ কৰি আহিছোঁ যে বুৰঞ্জীসমূহ শুকান হাড়-ছাল নহয়। ইয়াতো ভাবৰ সমাৱেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। বুৰঞ্জীৰ নিৰস কাহিনীক নিৰসন কৰিবলৈ সেয়ে বুৰঞ্জীকাৰসকলে বৰ্ণনাৰ মাজে মাজে জতুৰা-ঠাঁচ, প্ৰবাদ-প্ৰবচন, খণ্ডবাক্যকে আদি কৰি উপকথা, দৃষ্টান্ত, আদি ব্যৱহাৰ কৰিছে। সিয়ে বুৰঞ্জীসমূহক উপাদেয় সাহিত্যৰ ধাৰালৈ উন্নীত কৰিছে। যেনে—

ফকৰা-যোজনা ঃ

- তয়ো খোৰা, ময়ো খোৰা, লেফেৰা বৰবৰুৱা, সিয়ো খোৰা।
- একে হাবিতে দুটা মতা বাঘ, হাতী নাথাকে, একে পাটতে ৰজা দুটাও নাথাকে।

পটন্তৰ ঃ

- উত্তমজনৰ বাক্য গজদন্তৰ তুল্য।

- পুত্ৰ হ'লে পিতৃৰ বচন মানিব লাগে।
- গালৈকো চাবা, দালৈকো চাবা।

উপমা ঃ

- সৰু হৈ যা, ল'ৰা লোৱাদি ল'ব; বৰ নহ'বি, চিলা উৰুৱাদি উৰুৱাব।
- কাঠৰ গড় বান্ধিম পচিব, মাটিৰ গড় বান্ধিম খহিব, মই কথাৰ গড় বান্ধি দিছোঁ, প্ৰাণ-পৰি-ভুগী ৰ'ব।
- নাও তল যাব, শিল উপঙিব, কোৱা বগা হ'ব, বগা ক'লা হ'ব, লুইতে উভতি গতি কৰিব, তেবে কি মোৰ কবুল চাৰিবে।
- ম'হৰ পীৰা নলৰ কানমাৰিয়ে নসয়, বামুণৰ লগুণ শূদ্ৰে কেনেকৈ বব।

এনে বাক্যৰ পৰা চৰিত্ৰৰ মনৰ অনুভূতিৰ তীব্ৰতাৰ উমান পাব পাৰি। এইবোৰৰ বাহিৰেও বুৰঞ্জীসমূহত ঠায়ে ঠায়ে উপকথা বা নীতিকথাৰো সমাৱেশ দেখা যায়। এনে উপকথাৰ উপযুক্ত নিদৰ্শন হ'ল মিৰজুমলাৰ আক্ৰমণৰ প্ৰসঙ্গত বৰ্ণিত "হাতী আৰু বাঁহম'ৰা চৰাইৰ কাহিনীটো"। ইয়াৰ বাহিৰেও নাহৰ কোঁৱৰ, মেচ্‌লৌ কুঁৱৰী অথবা লুইত ৰজাৰ সোণৰ ফণি— এনে উপকথাৰ সুন্দৰ নিদৰ্শন।

এনেবোৰ বিশেষত্বৰ উপৰিও বুৰঞ্জীৰ কেতবোৰ ভাষাগত বিশেষত্বৰ বিষয়েও আলোচনা কৰা নিশ্চয় সমীচীন হ'ব। ভাষাগত দিশৰ কেইটামান উল্লেখযোগ্য বিশেষত্ব এনে ধৰণৰ—

- বুৰঞ্জীৰ ভাষাত দেখিবলৈ পোৱা স্বৰধ্বনিৰ ক্ষেত্ৰত এটা প্ৰধান বৈশিষ্ট্য হ'ল উচ্চ স্বৰ নিম্ন হোৱা আৰু নিম্ন স্বৰ উচ্চ হোৱাৰ প্ৰৱণতা। যেনে—

  উচ্চ > নিম্ন

  অ > ও ঃ কাপৰ (কাপোৰ)

  উ > অ ঃ যৌতক (যৌতুক)

  নিম্ন > উচ্চ

  এ > উ ঃ ইন্দুৰ (এন্দুৰ)

  ও > উ ঃ উপঙিব (ওপঙিব)

  ঃ তামুল (তামোল)

  আন কেইটামান স্বৰধ্বনি পৰিৱৰ্তন হ'ল—

  অ > এ ঃ ক্ষেত্ৰিয় (ক্ষত্ৰিয়)

  অ > আ ঃ ৰজা (ৰাজা)

  ই > আ ঃ গধুলা (গধুলি)

  এ > ই ঃ ইতিয়া (এতিয়া) ইত্যাদি।

- কেৱল স্বৰধ্বনিৰ ক্ষেত্ৰতেই নহয়, এনে পৰিৱৰ্তন অৰ্থাৎ এটা ব্যঞ্জনৰ ঠাইত আন এটা ব্যঞ্জনৰ উচ্চাৰণ বুৰঞ্জীৰ ভাষাত বহুলভাৱে লক্ষ্য কৰা যায়। যেনে—

ক্ষ > খ ঃ দখিনা (দক্ষিণা)

ক > ক্ষ ঃ চক্ষু (চকু)

গ > খ ঃ বৈশাখ (ব'হাগ/বৈহাগ)

ত > থ ঃ সাথুৰিব (সাতুৰিব)

ৰ > ড় ঃ এড়ি (এৰি)

হ > স ঃ আসি (আহি) ইত্যাদি।

- ৰূপতত্ত্বৰ দিশৰ প্ৰধান বিশেষত্ববোৰৰ ভিতৰত বোৰ/ভুৰ/ভোৰ, বোলাক/বিলাক, হঁত/হেত, সকল আদিৰ বহুবচনবাচক প্ৰত্যয়ৰ ব্যৱহাৰ; -টে/-টা/-টো/-টি, -জন/-জনা/-জনী, -খন/-খান/-খানি, -ডাল, -যুৰ/-যুৰি, -সাজ/-সজা, -হালি আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ; অনিৰ্দিষ্টতাবাচক প্ৰত্যয়, যেনে—চাৰিয়েক, চাৰেক, মান-ৰ ব্যৱহাৰ; মঞিঃ, তঞিঃ, কেমন, যতেক, তান, তোমাৰা, তাঞিৰ, তেঞেৰ-ৰ দৰে সৰ্বনাম শব্দৰ প্ৰয়োগ; ক্ৰিয়া ৰূপ, যেনে—-কৰিবা, থাকিবা, ৰাখিম, জন্মিলে, ধৰিলে, মেলে, যায়, পাৰি, লয়, আছে, হ'ব, হয়; অথবা অসমাপিকা ক্ৰিয়াপদ, যেনে— সুনি, দেখি, কৰি, চাই, খেদি আদিৰ প্ৰয়োগ মন কৰিবলগীয়া।
- তদুপৰি অসমাপিকা ক্ৰিয়াপদেৰে বাক্য শেষ কৰা ৰীতিৰ (যেনে— এই বুলি তেঞেঃ ওচৰলৈ হাতী নি খোচাই মাউত গোহাঞিক সৰালে আগৰ কথাকে কৈ) বিপৰীতে পাচে, বোলে, আৰু, পূৰ্ব্বে আদি শব্দেৰে বাক্য আৰম্ভ কৰা ৰীতিৰে বুৰঞ্জীৰ ভাষাক বিশেষত্বপূৰ্ণ কৰি তুলিছে।
- শব্দৰ ক্ষেত্ৰত ক'ব লাগিব যে বুৰঞ্জীৰ ভাষাত তৎসম, অৰ্দ্ধ-তৎসম, তদ্ভৱ শব্দৰ উপৰি বিভিন্ন আহোম ভাষাৰ শব্দ, আৰবী-ফাৰ্চী আদি কৰি আঞ্চলিক ভাষাৰ শব্দ আৰু ওচৰ-চুবুৰীয়া ৰাজ্যৰ দুই-এটা শব্দৰো প্ৰয়োগ দেখা যায়। এনে ভিন্ন ভাষাৰ শব্দই বুৰঞ্জীৰ শব্দ তালিকাখন বৈচিত্ৰ্যময় কৰি তুলিছে। যেনে—

তৎসম শব্দ	ঃ ইন্দ্ৰ, দেৱতা, সৰ্গ, ঋতু, অদ্যাপি, দৰ্শন, উৎসৱ, পূজা, মন্ত্ৰ।
অৰ্দ্ধ-তৎসম শব্দ	ঃ মুকুতা, যুগুতি, জনম, বৰিষণ।
তদ্ভৱ শব্দ	ঃ হাতী, তুমি, গৰু, সাপ, গৰু, কঠাল, পিতল, সোনা।
নামনি অসমৰ শব্দ	ঃ বেলা, গল, গিলা, তিৰতা, বহাগু, মানুষ।
আহোম ভাষাৰ শব্দ	ঃ চকলং, চেলেং, খামৰুং, হাচটি, মাইহাং, চাংমাই, ফুকন, মৈদাম, চুকাফা, প্লাইৰিণ, প্লাইপাচ, খেকলাই, কুন্‌খা, নামটি, মুংমাও, থাওমুং, লেচাম, বুৰঞ্জী, টিপাম।

আৰবী-ফাৰ্চীমূলীয় শব্দঃ কবুল, জেমা, পাগ, নবাব, মজুৰি, চৰ্দ্দাৰ, খাজানা, কিৰি, গোমোস্তা, দলিচা, চাকৰ।

এনেবোৰ শব্দৰ বাহিৰেও যুৰীয়া আৰু অনুৰূপ শব্দ, যেনে— নাও-নাওৰা, লুড়া-পুড়া, ৰণ-বন, বটা-বাহন, কান্দি-কাটি, মৰা-কটা, ইখান-সিখান, কৰ-কাটল; জতুৰা খণ্ডবাক্য, যেনে— মোহৰ মৰা, দগা দি, ওল দিলে, গাঁও মাৰি আদি উল্লেখযোগ্য। তদুপৰি বাক্যগত দিশত সৰল বাক্য, মিশ্ৰ বাক্যকে আদি যৌগিক বাক্যলৈ বিভিন্ন প্ৰকাৰ বাক্যৰীতিৰ সমাবেশ বুৰঞ্জীসমূহত ঘটিছে।

এইদৰে বিচাৰ কৰিলে ঐতিহাসিকভাৱে সমৃদ্ধ বুৰঞ্জীসমূহক সাহিত্যিক আৰু ভাষাতাত্ত্বিক দিশতো সমৃদ্ধ সাহিত্য সম্পদ বুলি অভিহিত কৰিব পাৰি। কেৱল সেয়ে নহয়, সামাজিক চিত্ৰ আৰু আধুনিক অসমীয়া গদ্যৰ উৎকৃষ্ট নিদৰ্শনেৰে অসমীয়া বুৰঞ্জী সাহিত্য মধ্যযুগীয়া সাহিত্য সম্পদৰাজিৰ মধ্যমণি বুলিব পাৰি।



চিন্তা-চৰ্চা কৰক ১৩.২

অসমীয়া বুৰঞ্জী সাহিত্যৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্বন্ধে বহলাই লিখক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ বুৰঞ্জীৰ গদ্যৰীতিৰ যিকোনো তিনিটা বিশেষত্ব উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত লিখক।)

১৩.৩.৩ কেইখনমান অসমীয়া বুৰঞ্জী

ইতিমধ্যে লীলা গগৈ আৰু সূর্য্যকুমাৰ ভূঞাই বুৰঞ্জী সাহিত্যসমূহক কৰি দেখুওৱা শ্ৰেণীবিভাগ সম্পৰ্কে উল্লেখ কৰি অহা হৈছে। দুয়ো গৰাকী পণ্ডিতে প্ৰাক্-আহোম যুগটোক এটা শ্ৰেণীত ভাগ কৰি পৰৱৰ্তী অৰ্থাৎ আহোম যুগৰ পৰা ৰচিত বুৰঞ্জীসমূহক এটা দীঘলীয়া শ্ৰেণীবিভাগ কৰি দেখুৱাইছে। ইয়াত আহোমৰ পৃষ্ঠপোষকতাত অসমীয়া ভাষাত ৰচিত আৰু এতিয়ালৈকে অসম চৰকাৰৰ 'বুৰঞ্জী আৰু পুৰাতত্ত্ব' বিভাগে প্ৰকাশ কৰি উলিওৱা কেইখনমান উল্লেখযোগ্য বুৰঞ্জীৰ এটি চমু আভাস দিবলৈ যত্ন কৰা হ'ব।

- **অসম বুৰঞ্জী (১)ঃ** আহোম যুগৰ তথা অসমীয়া ভাষাত লিখিত বুৰঞ্জীসমূহৰ ভিতৰত *অসম বুৰঞ্জী (১)* এখন উল্লেখযোগ্য বুৰঞ্জী। এইখন উত্তৰ গুৱাহাটীৰ সুকুমাৰ মহন্তৰ ঘৰৰ পৰা উদ্ধাৰ হৈছে। বুৰঞ্জীখনত আহোম স্বৰ্গদেউসকলৰ উৎপত্তিৰ পৰা গদাধৰ সিংহৰ ৰাজত্বৰ সময়লৈকে নৃপতিসকলৰ বৰ্ণনাৰ লগতে বিভিন্ন ৰাজনৈতিক

ঘটনা সন্নিৱিষ্ট হৈছে। তেৰটা অধ্যায়ত বিভক্ত বুৰঞ্জীখনৰ দ্বিতীয় অধ্যায়ৰ পৰা ত্রয়োদশ অধ্যায়লৈকে ঐতিহাসিক ঘটনা প্রৱাহৰ নিৰপেক্ষ বিৱৰণ সন্নিৱিষ্ট হ'লেও প্রথম অধ্যায়টোত দুটা কিংবদন্তিমূলক কাহিনীৰ জৰিয়তে আহোম স্বৰ্গদেউসকলৰ উৎপত্তিৰ বিৱৰণ পোৱা যায়। বাকী বাৰটা অধ্যায়ত পাটকাই পর্বত ভেদি অসমত প্রৱেশ কৰালৈকে বাটত সন্মুখীন হোৱা নগাকে আদি কৰি আন সকলোবোৰ প্রতিবন্ধক নেওচি কেনেকৈ ৰাজশাসন আৰম্ভ কৰিছিল তাৰ সকলো বিৱৰণ বুৰঞ্জীখনত পোৱা গৈছে। তদুপৰি চুতাওফাৰ পৰা চুপিম্‌ফা, চুহুম্‌কা দিহিঙ্গীয়া ৰজা, চুক্লেন্‌ফা খোৰাৰজা, চুচেংফা, বুঢ়াৰজা, ভগাৰজা আৰু নৰিয়া ৰজা, জয়ধ্বজ সিংহ, চক্রধ্বজ সিংহ, উদয়াদিত্য সিংহকে প্রমুখ্য কৰি গদাধৰ সিংহলৈ সকলো কথাৰ ধাৰাবাহিক বিৱৰণ বুৰঞ্জীখনত আছে। তাৎপর্য্যপূর্ণ কথা এয়ে যে বুৰঞ্জীখনত আহোম ৰজাই বিভিন্ন সময়ত লোৱা অত্যাচাৰী ভূমিকাকো মুকলিকৈ বর্ণনা কৰিছে। উদাহৰণ স্বৰূপে পৰাজিত নগাক হত্যা কৰি সিহঁতৰ গাৰ মাংস কাটি পুৰি-সেকি আত্মীয়-কুটুম্বক খুওৱা কাহিনীৰ জৰিয়তে চুকাফাৰ চৰম অত্যাচাৰী চৰিত্রৰ পৰিচয় পোৱা যায়।

ইয়াৰ বিপৰীতে দিহিঙ্গীয়া ৰজাৰ দিনত বিদ্রোহী হৈ উঠা বাৰভূঞা, মৰাণ, বৰাহী, চুতীয়া, জয়ন্তীয়া, নগা, কছাৰীসকলক কঠোৰ হাতেৰে কৰা দমনৰ বর্ণনাও বুৰঞ্জীখনত পোৱা যায়। অৱশ্যে বুৰঞ্জীখনৰ শেষৰ ফালে আহোম ৰাজত্বৰ দুর্দিনৰ বিৱৰণৰো উল্লেখ পোৱা যায়।

এইদৰে গদ্যত ৰচিত *অসম বুৰঞ্জী (১)*খনত স্বৰ্গদেউসকলৰ উৎপত্তিৰ পৰা ৰাজকীয় শাসন, যুদ্ধ-বিগ্রহ, সন্ধি-চুক্তি ইত্যাদি বিভিন্ন কথাৰ বর্ণনা সন্নিৱিষ্ট হৈছে। তদুপৰি ঐতিহাসিক কাহিনীৰ বর্ণনাৰ মাজতে সমসাময়িক সমাজৰ সামাজিক, অর্থনৈতিক, ধর্মীয় তথা সাংস্কৃতিক দিশৰ বর্ণনাই *অসম বুৰঞ্জী (১)*খনক এখন উল্লেখযোগ্য বুৰঞ্জী সাহিত্যলৈ উন্নীত কৰিছে বুলিব লাগিব।

- **অসম বুৰঞ্জী (২) ঃ** *অসম বুৰঞ্জী* নামেৰে বর্তমানলৈ দুখন পোৱা গৈছে। সেয়েহে এইখন বুৰঞ্জী দুই (২)ৰে সূচিত কৰা হৈছে। *অসম বুৰঞ্জী (১)* আৰু *অসম বুৰঞ্জী (২)* দুয়োখনতে আহোম ৰজাৰ ৰাজনৈতিক তথা ঐতিহাসিক বিৱৰণৰ বর্ণনা আছে যদিও প্রথমখন চুকাফাৰ পৰা গদাধৰ সিংহৰ দিনলৈ সকলো কথা সামৰাৰ বিপৰীতে দ্বিতীয়খনত জয়ধ্বজ সিংহৰ দিনৰ পৰা গদাধৰ সিংহৰ দিনলৈকে বিভিন্ন ঘটনাৰ বিৱৰণ দাঙি ধৰা হৈছে।
- **অসম বুৰঞ্জী পুথি ঃ** কাশীনাথ তামুলী ফুকন আৰু ৰাজানাথ বৰবৰুৱাৰ দ্বাৰা ৰচিত *অসম বুৰঞ্জী পুথি* গ্রন্থখনত বিষয়বস্তু হিচাপে বর্ণিত হৈছে প্রাচীন কালৰ পৰা ব্রিটিছ আগমনলৈ এক সুদীর্ঘ সময়ৰ ৰজা আৰু ৰাজনৈতিক তথা ঐতিহাসিক ঘটনাৱলীৰ ধাৰাবাহিক বিৱৰণ। উল্লেখযোগ্য যে গ্রন্থখন পোনপ্রথমে 'অৰুণোদয়'ত ছপা হৈ ওলাইছিল।

- **কামৰূপ বুৰঞ্জী ঃ** ১৯৩০ চনত প্ৰথম প্ৰকাশিত *কামৰূপ বুৰঞ্জী*খনৰ লেখকৰ নাম পোৱা নাযায়। গ্ৰন্থখন সূৰ্য্যকুমাৰ ভূঞাই সম্পাদনা কৰে। বুৰঞ্জীখনৰ বৈশিষ্ট্যপূৰ্ণ কথাটো হ'ল ইয়াৰ অধিকাংশ বৰ্ণনাই কিম্বদন্তিমূলক। প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ বৰ্ণনা গ্ৰন্থখনত বিবৃত কৰা হৈছে। অৱশ্যে খ্ৰীষ্টাব্দ সপ্তদশ শতিকাৰ আহোম-মোগলৰ যুদ্ধৰ এক বিস্তৃত বৰ্ণনাও গ্ৰন্থখনত সন্নিৱিষ্ট হৈছে। তথাপি বুৰঞ্জীখনত তথ্য নিৰ্ভৰ ঐতিহাসিক ইতিহাসৰ বিৱৰণ পৰ্যাপ্ত বুলিব নোৱাৰি। অলৌকিকতাৰ বাবেই নেকি কামাখ্যাৰ মহিমাৰে আৰম্ভ কৰা কামৰূপ বুৰঞ্জীৰ বহু কথাই ত্ৰুটিপূৰ্ণ আৰু বিকৃত ধৰণৰ।
- **পুৰণি অসম বুৰঞ্জী ঃ** হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাৰে কামৰূপ অনুসন্ধান সমিতিয়ে ১৯২২ চনত *পুৰণি অসম বুৰঞ্জী*খন প্ৰকাশ কৰি উলিয়ায়। গ্ৰন্থখনত আহোম ৰাজত্বৰ পৰা গদাধৰ সিংহৰ মৃত্যুৰ সময়লৈকে এক দীঘলীয়া বৰ্ণনা পোৱা যায়। চুহুংমুং দিহিঙ্গীয়া ৰজাৰ ৰাজত্ব কালৰ বিভিন্ন বৰ্ণনা, বুঢ়াৰজা প্ৰতাপ সিংহ, চক্ৰধ্বজ সিংহৰ ৰাজত্ব আৰু শৰাইঘাটৰ যুদ্ধৰ এক বিস্তৃত বৰ্ণনা বুৰঞ্জীখনত পোৱা যায়। মূল সাঁচিপতীয়া পুথিখন ঘনকান্ত যুৱৰাজৰ বিধৰা পত্নী মাহিন্দী দেৱীৰ পৰা সংগ্ৰহ কৰা।
- **তুংখুঙীয়া বুৰঞ্জী ঃ** *তুংখুঙীয়া বুৰঞ্জী* বা *তুংখুঙ্গীয়া বুৰঞ্জী*খনক লীলা গগৈয়ে অসমীয়া বুৰঞ্জী সাহিত্যৰ এটি বহুমূলীয়া মণি বুলি *বুৰঞ্জী-সাহিত্য* নামৰ গ্ৰন্থখনত উল্লেখ কৰিছে। শ্ৰীনাথ দুৱাৰা বৰবৰুৱাৰ দ্বাৰা লিখিত বুৰঞ্জীখনত ৰাজেশ্বৰ সিংহৰ (১৭৫১) ৰাজত্ব কালৰ পৰা কমলেশ্বৰ সিংহৰ ৰাজত্ব কালৰ সুদীৰ্ঘ এঘাৰটা বছৰৰ বিৱৰণ আছে। কিন্তু লক্ষ্যণীয় কথাটো হ'ল ছপা *তুংখুঙ্গীয়া বুৰঞ্জী*খনত ১৬৮১ চনৰ পৰা ১৮০৬ চনলৈকে এক দীঘলীয়া সময়ক সামৰা হৈছে।

  *তুংখুঙ্গীয়া বুৰঞ্জী*খনৰ প্ৰকৃত নাম *শ্ৰীশ্ৰী তুংখুঙ্গীয়া স্বৰ্গীয়ৰ বংশাৱলী*। তুংখুঙ্গীয়া নামটো সম্পাদক সূৰ্য্যকুমাৰ ভূঞাই দিয়া। বুৰঞ্জীখনত তুংখুঙ্গীয়া বংশৰ প্ৰতিষ্ঠাতা গদাধৰ সিংহৰ ৰাজত্ব কালৰ পৰা প্ৰমত্ত সিংহৰ ৰাজত্বকাল পৰ্য্যন্ত বিৱৰণ পোৱা যায় যদিও উদয়াদিত্য সিংহ ৰাজপাটত বহাৰ পৰা গদাধৰ সিংহ ৰাজপাটত বহাৰ সময়লৈকে বিভিন্ন ৰাজ শাসন সম্পৰ্কীয় কথাৰ বিৱৰণো আছে। তদুপৰি বুৰঞ্জীখনত মোৱামৰীয়া বিদ্ৰোহৰ বিৱৰণো পোৱা যায়।
- **দেওধাই অসম বুৰঞ্জী ঃ** *দেওধাই অসম বুৰঞ্জী*, *বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জী*, *দাঁতিয়লীয়া বুৰঞ্জী* আৰু *বিবিধখণ্ড বুৰঞ্জী*—এই চাৰিখন বুৰঞ্জীৰ সমষ্টিয়ে হ'ল *দেওধাই অসম বুৰঞ্জী*।

  ইয়াৰে প্ৰথমখন বুৰঞ্জীত আহোম ৰজাৰ উৎপত্তিৰ পৰা চুতিংফা নৰিয়া ৰজাৰ ৰাজত্ব কাললৈকে বিভিন্ন ৰাজনৈতিক ঘটনাৱলীৰ বৰ্ণনা আছে। দ্বিতীয়খনত আছে আহোমৰ ৰাজবংশৰ উৎপত্তিৰ পৰা চুচেংফা প্ৰতাপ সিংহৰ ৰাজত্ব কাললৈকে বৰ্ণনা। উল্লেখযোগ্য যে এইখন বুৰঞ্জীৰ কথা ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁইৰ মুখেৰে ওলোৱা

বাবে এই বুৰঞ্জীখনক *বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জী* বোলে। তৃতীয়খন বুৰঞ্জীত অসমৰ দাঁতিকাষৰীয়া কছাৰী, জয়ন্তা ৰজা আৰু মিকিৰ, নেলী, গোভা, চহৰী, খাহিগৰীয়া আদি ৰজা-পোৱালিৰ সৈতে সম্পাদিত সম্পর্ক অতি সংক্ষিপ্ততাৰে বর্ণনা কৰিছে। চাৰিটা খণ্ডৰে নির্মিত *বিবিধখণ্ড বুৰঞ্জী*ত আহোম সংস্কৃতিৰ বিৱৰণ আছে।

- **সাতসৰী অসম বুৰঞ্জী ঃ** সাতখন বুৰঞ্জীৰ সমষ্টিয়ে হ'ল *সাতসৰী অসম বুৰঞ্জী*। ইয়াৰে প্রথমখন বুৰঞ্জীত খুনলুং-খুনলাইৰ পৰা চুজিন্‌ফা অর্জুন দিহিঙ্গীয়া ৰজালৈকে; দ্বিতীয়খনত আদিৰজা স্বর্গনাৰায়ণৰ পৰা চুহুংমুং দিহিঙ্গীয়া ৰজালৈকে; তৃতীয়খনত দিহিঙ্গীয়া ৰজাৰ পৰা প্রমত্ত সিংহলৈকে; চতুর্থখনত দিহিঙ্গীয়া ৰজাৰ পৰা গৌৰীনাথ সিংহ স্বর্গদেউলৈকে; পঞ্চমখনত জয়ধ্বজ সিংহৰ পৰা চক্রধ্বজ সিংহলৈকে; ষষ্ঠখনত কমলেশ্বৰ সিংহৰ পৰা পুৱন্দৰ সিংহৰ উজনি অসমৰ কৰতলীয়া শাসনলৈকে বিভিন্ন ৰাজনৈতিক ঘটনা-পৰিঘটনা বর্ণিত হৈছে। সপ্তমখনত আহোমৰ ৰাজনীতি-সমাজনীতিকে আদি কৰি সামাজিক মর্যাদা আদিৰো বর্ণনা আছে।
- **হৰকান্ত শর্মা মজিন্দাৰ বৰুৱাৰ *আসাম বুৰঞ্জী* ঃ** এইখন বুৰঞ্জী আহোম ৰাজত্বৰ আৰম্ভণিৰ পৰা শেষলৈকে বর্ণনা আছে। হৰকান্ত বৰুৱা সদৰামীনে এই বুৰঞ্জীখন লিখাৰ সময়ত কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীৰ পৰা বিভিন্ন তথ্য সংগ্রহ কৰিছিল। বুৰঞ্জীখনৰ ৰচনা কাল ঊনবিংশ শতিকাৰ শেষৰ ফালে।
- **ত্রিপুৰা বুৰঞ্জী ঃ** ১৭২৪ চনত ৰাজকটকী ৰত্ন কন্দলী আৰু অর্জুন দাস বৈৰাগীৰ যুটীয়া সহযোগত *ত্রিপুৰা বুৰঞ্জী*খন স্বর্গদেউ ৰুদ্রসিংহৰ ৰাজত্ব কালত ৰচনা কৰা হয়। ৰুদ্রসিংহই এই দুগৰাকীক ত্রিপুৰা ৰাজ্যৰ ওচৰলৈ প্রেৰণ কৰিছিল। সেই ত্রিপুৰা ভ্রমণৰ সুবাদতে ৰাজকর্তব্য পালনৰ উপৰি ত্রিপুৰা যাত্রাৰ বিৱৰণ, ত্রিপুৰা বিৱৰণ, দুয়ো ৰাজ্যৰ সম্পর্কৰ বর্ণনাকে আদি কৰি ত্রিপুৰাৰ মদন পূজাৰ দৰে বিভিন্ন আকর্ষণীয় বর্ণনাও বুৰঞ্জীখনত আছে।
- **কছাৰী বুৰঞ্জী ঃ** এইখন বুৰঞ্জীত প্রাচীন কালৰে পৰা ৰুদ্রসিংহৰ সমসাময়িক কছাৰী ৰজা তাম্রধ্বজৰ সময়লৈকে বিভিন্ন ৰাজনৈতিক ঘটনাৰ বিৱৰণ আছে।
- **জয়ন্তীয়া বুৰঞ্জী ঃ** *জয়ন্তীয়া বুৰঞ্জী*ত জয়ন্তীয়া আৰু খৈৰাম (খাচী) ৰাজ্যৰ ঐতিহাসিক বর্ণনা পোৱা যায়; বিশেষকৈ প্রাচীন কালৰ পৰা স্বর্গদেউ শিৱসিংহৰ সমসাময়িক জয়ন্তীয়া নৃপতি লক্ষীসিংহৰ ৰাজত্ব কাললৈকে। বুৰঞ্জীখনত জয়ন্তীয়া সমাজত প্রচলিত মাতৃপূজাৰো বিৱৰণ পোৱা যায়।
- **পাদশ্যাহ বুৰঞ্জী ঃ** *পাদশ্যাহ বুৰঞ্জী* অসমৰ পটভূমিত ৰচিত নহয়। এইখন বুৰঞ্জীত ভাৰতবর্ষত মুছলমান ৰাজত্বৰ বিৱৰণ আছে— পিথ্বীৰাজ অর্থাৎ পিথুৰাজৰ পৰাজয়ৰ পৰা আউৰঙ্গজেৱৰ অভ্যুত্থানৰ সময়লৈকে। টাইমূৰৰ ভাৰতবর্ষ আক্রমণ, শ্বেৰশ্বাহ-হুমায়ুনৰ যুদ্ধ, শ্বাহজাহানৰ পুতেকহঁতৰ মাজত সংঘটিত সংঘর্ষ, আউৰঙ্গজেৱৰ সিংহাসন লাভ আদি বিভিন্ন ঘটনা পাদশ্যাহ বুৰঞ্জীত পোৱা যায়। বুৰঞ্জীখন কোনো

ৰজা বা ৰজাঘৰীয়াৰ পৃষ্ঠপোষকতাত ৰচিত হোৱা নাছিল। তদুপৰি লেখকৰ নামো পোৱা নাযায়। কামৰূপ অনুসন্ধান সমিতিয়ে সূর্য্যকুমাৰ ভূঞাৰ সম্পাদনাত ১৯৩৫ চনত এই বুৰঞ্জীখন ছপা কৰি উলিয়ায়।



চিন্তা-চৰ্চা কৰক ১৩.৩

অসমৰ পটভূমিত ৰচনা কৰা যিকোনো পাঁচখন বুৰঞ্জীৰ চমু পৰিচয় দিয়ক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *পাদশ্যাহ বুৰঞ্জীৰ* বিষয়বস্তু কি? (১৫০টা শব্দৰ ভিতৰত লিখক।)

১৩.৪ বুৰঞ্জী সাহিত্যৰ পোহৰত প্রতিভাত সমসাময়িক অসমীয়া সমাজ জীৱন

মধ্যযুগটো অসমীয়া ভাষা, সাহিত্য, সমাজ আৰু সংস্কৃতিৰ বাবে উল্লেখনীয় যুগ। কেৱল ভাষা, সাহিত্য, সমাজ আৰু সংস্কৃতিৰ বাবেই যে এই যুগটো উল্লেখনীয় তেনে নহয়, ৰাজনৈতিক দিশতো এই যুগটো সমানেই উল্লেখনীয়। যি ৰাজনৈতিক পৰিৱেশে মধ্যযুগীয় অসমৰ সমগ্র অঞ্চলকেই বিভিন্ন ধৰণে প্রভাৱিত কৰি ৰাখিছিল, ষোড়শ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ প্রাৰম্ভলৈকে পৰিব্যাপ্ত মধ্যযুগৰ অসমৰ ৰাজনৈতিক বাতাবৰণৰ প্রভাৱ সামাজিক স্তৰতো নপৰাকৈ থকা নাছিল। এই সময়ছোৱাত বিশেষকৈ খ্রীষ্টিয় ষোড়শ শতিকাৰ পৰা অষ্টাদশ শতিকালৈ অসমৰ পূব প্রান্তৰ যিদৰে আহোম ৰাজশক্তিয়ে উত্থান হৈছিল, পশ্চিমৰ কমতা ৰাজ্য নৰনাৰায়ণৰ ৰাজত্বৰ পিছত লাহে লাহে দুর্বল হৈ পৰিছিল। লগে লগে ভাষা-সাহিত্যৰ ক্ষেত্রতো তাৰ বিৰূপ প্রভাৱ পৰিছিল। চুতীয়া শক্তি আৰু অন্যান্য শক্তিৰ লগতে কছাৰী শক্তিও সেই সময়ত আহোমৰ শক্তিৰ তুলনাত প্রায় নিষ্প্রভ বিন্দুত অৱস্থান কৰিবলগীয়া হৈছিল। গতিকে মধ্যযুগৰ অসমত ছশ বছৰীয়া ৰাজশাসনৰ কৃতিৰে অসমত যি শাসনৰ নমুনা দেখুৱালে সি অসমৰ ইতিহাসত নিশ্চয় বিৰল।

লক্ষ্যণীয় কথাটো এয়ে যে আহোম শক্তিও যে সদায় একে ৰূপত চলিছিল তেনে নহয়। ছশ বছৰীয়া আহোমৰ ইতিহাসতো উত্থান-পতন, গৃহকন্দল আদি সংঘটিত হৈছিল। ৰাজপৃষ্ঠপোষকতাত সৃষ্ট বুৰঞ্জী সাহিত্যসমূহ তাৰেই প্রমাণিক দলিল যদিও এইবিধ সাহিত্যই অসমীয়া সাহিত্যৰ ভঁৰালটোক এক বিৰল মর্য্যাদাও প্রদান কৰি গৈছে।

বুৰঞ্জীবিদ লীলা গগৈয়ে বুৰঞ্জী সাহিত্যসমূহ তিনিটা দিশত অতিকে তাৎপর্য্যপূর্ণ বুলি উল্লেখ কৰিছে। প্রথমতে, আধুনিক ভাৰতীয় ভাষাৰ ভিতৰতে বুৰঞ্জীসমূহ একক আৰু অতুলনীয়। দ্বিতীয়তে, বুৰঞ্জী আহোম ৰাজ্যৰ সাধাৰণ মানুহৰ মুখৰ মাত-কথা আৰু ৰাজ চ'ৰাৰ শাসকীয়

ভাষাৰ চানেকী আৰু তৃতীয়তে, বুৰঞ্জীত সমসাময়িক জনজীৱনৰ বৰ্ণাঢ্য বৰ্ণনা পোৱা যায়। তেওঁৰ মন্তব্যৰ পৰাই অনুমান কৰিব পাৰি বুৰঞ্জীসমূহ ৰাজনৈতিক তথা ঐতিহাসিকভাৱে যিমানেই সমৃদ্ধ সামাজিকভাৱেও সমানেই সমৃদ্ধ। আমি এই আলোচনাত বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্যপূৰ্ণ অন্যতম দিশ সমসাময়িক অসমীয়া সমাজ জীৱনৰ এটি চিত্ৰ দাঙি ধৰিবলৈ যত্ন কৰিম।

আহোম যুগৰ সমাজ ব্যৱস্থাত যুগনায়ক তথা নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাণ্ডাৰী পুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছিল। এই যুগৰ সাহিত্যৰ অন্যতম সম্পদ *চৰিত পুথি*সমূহেই তাৰ জ্বলন্ত প্ৰমাণ। ইতিমধ্যে আহোম ৰাজশক্তিয়ে প্ৰভাৱ বিস্তাৰ কৰাৰ লগে লগে ইন্দ্ৰবংশী আহোমসকলে পূৰ্বৰ ধৰ্ম পৰিত্যাগ কৰি হিন্দু ধৰ্মত দীক্ষিত হয়। লাহে লাহে আহোম ৰাজশাসনৰ বাহিৰে-ভিতৰে ধৰ্মীয় আৰু সামাজিক প্ৰেক্ষাপট সলনি হ'বলৈ ধৰে। অৱশ্যে তাৰ মাজতে অৰ্থাৎ উজনিত সত্ৰ-সংস্কৃতিয়ে বিকশিত ৰূপ ধাৰণ কৰি থকা সময়তে গদাধৰ সিংহৰ সময়ত সত্ৰসমূহ ভাঙি দিয়াৰ চেষ্টা কৰি মহন্ত-গোহাঁইক ৰজাঘৰীয়া কাম-কাজত নিয়োগ কৰোৱাৰ অপচেষ্টা চলিছিল যদিও তেওঁৰ পুত্ৰ ৰুদ্ৰসিংহই তেওঁলোকৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰে। সত্ৰৰ বুৰঞ্জী অথবা *চৰিত পুথিত* এনে অনেক কাহিনী বৰ্ণিত আছে। সি যিয়েই নহওক আহোমৰ ৰাজপৃষ্ঠপোষকতাই হিন্দু ধৰ্ম আৰু হিন্দু সংস্কৃতিৰ বিস্তাৰত প্ৰভূত ইন্ধন যোগাইছিল। বৈষ্ণৱ ধৰ্মৰ সহজ আচৰণীয় ধৰ্ম প্ৰণালীয়ে সৰ্বসাধাৰণৰ লগতে ৰজাঘৰৰ ভিতৰতো খলকনি নোতোলাকৈ থকা নাছিল। এই সময়তেই বহুতো জনজাতীয় লোকে বৈষ্ণৱ ধৰ্মত দীক্ষিত হৈ কোচ আৰু শৰণীয়া কছাৰী, দিহিং-মায়ামৰীয়া ভকত ৰূপে পৰিচিত হৈ পৰিছিল। জয়ধ্বজ সিংহৰ ৰাজত্ব কালত আউনীআটীত সত্ৰ স্থাপন, জখলাবন্ধা আৰু জতকৰা সত্ৰ স্থাপনৰ উল্লেখে বৈষ্ণৱ ধৰ্মৰ প্ৰতি ৰজাঘৰীয়াৰ আগ্ৰহৰ প্ৰমাণ পোৱা যায়। আহোমসকল হিন্দু ধৰ্মৰ বৈষ্ণৱ পন্থাৰ প্ৰতিয়েই যে আকৰ্ষিত আছিল তেনে নহয়, হিন্দু ধৰ্মৰ অন্য পন্থাৰ প্ৰতিও তেওঁলোকৰ আকৰ্ষণৰ প্ৰমাণ বুৰঞ্জীত পোৱা যায়। বিশেষকৈ সূৰ্য্য দেৱতাক পূজা কৰা, সন্ত-মহন্ত সমন্বিতে ব্ৰাহ্মণ-দৈৱজ্ঞক দান-দক্ষিণাৰ লগতে পূজা-পাতল কৰা, যুদ্ধ জয়ৰ ফলস্বৰূপে ৰণজয় উৎসৱ পালন আদিৰো বৰ্ণনা বুৰঞ্জীত পোৱা যায়। তদুপৰি শাক্ত ধৰ্মৰ প্ৰচলনৰ উল্লেখো কোনো কোনো বুৰঞ্জীত পোৱা যায়। পৰ্বতীয়া গোসাঁই, মুকলিমুৰীয়া গোসাঁই, নগোসাঁই আদিৰ প্ৰতিপত্তি এই প্ৰসঙ্গত বিশেষভাৱে উল্লেখযোগ্য। অৰীতীয়া মত প্ৰৱৰ্তনৰ সাক্ষাও বুৰঞ্জীয়ে বহন কৰে।

মধ্যযুগীয় সমাজখন যে কৃষিজীৱী অৰ্থাৎ কৃষি নিৰ্ভৰ সমাজ আছিল সেই বিষয়ে *চৰিত পুথি*, বংশাৱলীকে আদি কৰি বুৰঞ্জীসমূহেও প্ৰমাণ কৰে। আহোমৰ ৰাজত্ব কালত ডাঙৰ ডাঙৰ বিষয়াসকলে বিস্তৰ পৰিমাণে মাটি-বাৰী পোৱাৰ উপৰি খেতি কৰিবলৈ 'পাইক' আদিও লাভ কৰিছিল। পাইকবিলাকক 'লিক্‌চৌ' নামেৰেও জনা যায়। এই আধাৰতে আহোম ৰাজ্যত তিনি শ্ৰেণী মানুহৰ উদ্ভৱ হৈছিল বুলি অনুমান কৰাৰ থল আছে। প্ৰথমটো, ৰাজকুমাৰ, সম্ভ্ৰান্ত লোক বা ডাঙৰ ডাঙৰ বিষয়াসকল; দ্বিতীয়টো, চমুৱা বা পাইক-চমুৱা আৰু তৃতীয়টো সাধাৰণ প্ৰজা। অৱশ্যে সাধাৰণ লোক হ'লেও আহোম ৰজাসকলে তেওঁলোকক উপযুক্ত খেতি-মাটি পৰিয়াল অনুপাতে প্ৰদান কৰিছিল। সাধাৰণ লোকৰ পৰা বিষয়াসকললৈ যে কৃষিৰ এটি সুস্থ পৰম্পৰা

আছিল সেই কথা সুকুমাৰ বৰকাথৰ ঘৰত পোৱা *অসম বুৰঞ্জীত* উল্লেখ পোৱা যায়। বুৰঞ্জীখনত উল্লেখ থকা মতে এগৰাকী সিংহাসনচ্যুত আহোম ৰজাই কান্দি কান্দি কৈছিল বোলে, 'মই মোৰ খেতিপথাৰত হালবাই থাকোতেই অতিকে সুখী আছিলোঁ। বিষয়াসকলে মোক ৰজা পাতিলে, তেওঁলোকেই মোক সিংহাসনচ্যুত কৰি মাৰিবলৈ ওলাইছে।'

এই কৃষি পৰম্পৰাৰ পৰাই মধ্যযুগীয় অৰ্থনীতিৰো উমান পাব পাৰি। অৰ্থাৎ মধ্যযুগীয় অসমৰ অৰ্থনীতিৰ মূল আধাৰ আছিল কৃষি। সেই সময়ত জমিদাৰী প্ৰথাৰো প্ৰচলন আছিল। কৃষক, দাস অথবা শ্ৰমিকসকলে উৎপাদিত কৃষি সামগ্ৰীৰ এটা অংশ জমিদাৰ বা মাটিৰ মালিকক দিব লাগিছিল। কামৰূপৰ বুৰঞ্জীত উল্লেখ থকা মতে ভূঞাসকল আছিল প্ৰকৃতাৰ্থত 'গ্ৰামেশ্বৰ' বা জমিদাৰহে।

আহোমসকলে প্ৰয়োগ কৰা মুদ্ৰা নীতি ভিতৰুৱা অঞ্চলবোৰত সৰ্বসাধাৰণ লোকে প্ৰচলন কৰিব পৰা নাছিল। সেয়েহে আহোম ৰাজত্বৰ সময়ছোৱাত মুদ্ৰাৰ সমান্তৰালভাৱে বিনিময় প্ৰথা, কড়ি আদি দুয়োটা প্ৰথাৰেই সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় চলিছিল। খাজনাৰ ক্ষেত্ৰত ৰজাঘৰৰ ফালৰ পৰা খেতি কৰিবলৈ দিয়া মাটিত খাজনা আৰোপিত হোৱা নাছিল যদিও গৃহ নিৰ্মিত মাটিত খাজনা আৰোপ কৰা হৈছিল।

বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰত হাতেৰে তৈয়াৰী বাঁহ, বেত বা কাঠৰ বিভিন্ন সামগ্ৰী ক্ৰয়-বিক্ৰয় কৰাৰ উপৰি ঔষধজাত সামগ্ৰীৰ, যেনে— গছৰ ছাল-পাত-শিপা, মৌ, পাহাৰীয়া নিমখ আদি আনকি খেতিৰ পৰা পোৱা মাহ, আদা, হালধী, তিল, তেল আদিৰো বেচা-কিনা হৈছিল। আহোম ৰাজত্বৰ কালছোৱাত নৰা কাপোৰ, কিৰমিজ কাপোৰ, চামৰ, মোৰা-বিচনি, হাতী দাঁতৰ ডাব কটাৰী, গাথিয়ন, সোণৰ হাৰ, ৰিহা-মেখেলা আদিও তৈয়াৰ কৰি লোৱা হৈছিল। আহোম ৰজা বা ৰাজবিষয়া সকল যে আৰ্থিকভাৱে যথেষ্ট টনকীয়াল আছিল সেই কথা হাজোৰ থানাদাৰ মিৰ্জা জাহিনাই প্ৰতাপ সিংহৰ পৰা দাবী কৰা দন-সম্পত্তি; মিৰজুমলাই জয়ধ্বজ সিংহৰ পৰা দাবী কৰা ধন-সম্পত্তিৰ পৰাই প্ৰমাণ পাব পাৰি। এইদৰে বিভিন্ন বুৰঞ্জী বা বিভিন্ন নথি-পত্ৰৰ পৰা মধ্যযুগীয় অৰ্থনীতিৰ কিছু হ'লেও উমান পাব পাৰি।

আহোম ৰাজত্বৰ সময়ছোৱাত হিন্দু সমাজত বৰ্ণভেদ প্ৰভাৱ খুবেই স্পষ্ট আছিল। ব্ৰাহ্মণ আৰু বৈষ্ণৱ ভক্তৰ মাজত সংঘটিত অৰিয়া-অঁৰিৰ কথা বিভিন্ন বুৰঞ্জী আৰু *চৰিত পুথিত* পাওঁ। তদুপৰি অভিজাত আৰু নিম্ন শ্ৰেণীৰো প্ৰভাৱ আছিল। ৰজাঘৰীয়া বা সাতঘৰীয়া আহোম ফৈদ আৰু ডা-ডাঙৰীয়াসকলে স্বাভাৱিকভাৱেই অভিজাত শ্ৰেণীৰ শ্ৰেণীভুক্ত হৈছিল। আনহাতে, সামাজিক মৰ্য্যাদা অনুসাৰে বৰগোহাঁই, বুঢ়াগোহাঁই, বৰফুকন, বৰবৰা, ফুকন, গগৈ, বৰুৱা, হাজৰিকা আদিৰো সৃষ্টি আহোমসকলেই কৰিছিল।

আহোম ৰাজত্বৰ তৎকালীন সমাজৰ সামাজিক উত্তৰণৰ বাবে আহোম ৰজাসকলে সময়ে সময়ে দ'ল-দেৱালয়, মন্দিৰ, বাট-পথ-গড়, মৈদাম, পুখুৰী আদি নিৰ্মাণ কৰাৰ প্ৰমাণ বিভিন্ন বুৰঞ্জীয়ে দিয়ে। উদাহৰণ স্বৰূপে, চুখাম্‌ফা খোৰাৰজাৰ দিনত গোহাঁইকমল আলি বন্ধোৱা, বুঢ়াৰজা প্ৰতাপসিংহৰ ৰাজত্ব কালত চামধৰাত গড় নিৰ্মাণ কৰা, চুক্লেনমুং গড়গওঁৰ ৰজাৰ দিনত গড়গাঁৱত

গড় নির্মাণ, গড়গাঁৱত পুখুৰী খন্দোৱা ইত্যাদি উল্লেখযোগ্য।

বিহু আহোমসকলৰ দিনতে জাতীয় উৎসৱ হিচাপে পৰিগণিত হোৱা কথা আমি সকলোৱে জানো। বিহু জাতীয় উৎসৱ ৰূপে পৰিগণিত হোৱাৰ লগে লগে বিহুগীত, বনগীতসমূহ বাঢ়িবলৈ ধৰে। 'জিকিৰ' এই যুগৰে দান। প্রসঙ্গক্রমে চুফী ধর্মমূলক সাহিত্যখিনিৰ কথাও উল্লেখ কৰিব পাৰি। কেৱল সেয়ে নহয়, বিভিন্ন ৰজা বা ৰাজপৃষ্ঠপোষকতাত সৃষ্ট ভিন্নধর্মী সাহিত্যও এই ক্ষেত্রত উল্লেখযোগ্য। উদাহৰণ স্বৰূপে স্বর্গদেউ ৰুদ্রসিংহ, শিৱসিংহ আৰু বৰৰজা ফুলেশ্বৰীৰ আমোলতে *ব্রহ্মবৈৱর্ত্য পুৰাণ*, *গীতগোবিন্দ* অথবা *শকুন্তলা* কাব্যৰ দৰে উচ্চমানৰ সাহিত্য সৃষ্টি কৰাই নহয় আহোম যুগৰ শ্রেষ্ঠ কবি ৰূপেও স্বীকৃত হৈছিল।

বৃহত্তৰ অসমীয়া জাতি গঠন প্রক্রিয়াতো আহোমসকলৰ যথেষ্ট অৰিহণা আছে। ওচৰ-চুবুৰীয়া ৰাজ্য আৰু জাতি-জনজাতিৰ সৈতে সময়ে সময়ে যুদ্ধ-বিগ্রহ লাগিছিল যদিও সন্ধি-চুক্তি আদিৰে এখন বৃহত্তৰ সমাজো গঠন কৰি থৈ গৈছে। বিশেষকৈ নগা, কাৰবি, গাৰো, খাচী আনকি চুতীয়া, জয়ন্তীয়া, কছাৰী আদিৰে একত্রিত কৰা সুসম্পর্কই বৃহৎ অসমীয়া জাতি গঠনত আহোমসকলে প্রভূত অৰিহণা দি থৈ গৈছে।

বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য সন্দর্ভতে উদাহৰণসহ উল্লেখ কৰা হৈছে যে বুৰঞ্জীৰ ভাষাত থলুৱা ফকৰা-যোজনা, প্রবাদ-প্রবচনৰ প্রয়োগ বহুলভাৱে প্রয়োগ কৰা হৈছে। এনেবোৰ সাহিত্যিক উপাদানেও সমসাময়িক সমাজৰ আন এটা দিশৰো সাক্ষ্য বহন কৰে। এইদৰে বিচাৰ কৰিলে আহোম পৃষ্ঠপোষকতাত সৃষ্ট বুৰঞ্জীখিনিৰ পৰা সমাজৰ জাতিটোৰ দিশৰ উন্মোচন সণ্ঢালনি ৰূপত নহ'লেও যিখিনি পোৱা গৈছে তাৰ পৰাই মধ্যযুগীয় অসমীয়া সমাজখনৰ সামাজিক চিত্রৰ কিছু আভাস পাব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মধ্যযুগীয় সমাজ ব্যৱস্থাত বর্ণহিন্দুৰ বর্ণগত বৈষম্য কেনেকুৱা আছিল অতি চমুকৈ লিখক।

(১৫০টা শব্দৰ ভিতৰত লিখক।)

১৩.৫ ব্যৱহাৰিক সাহিত্য

ব্যৱহাৰিক শব্দটো এটি বিশেষণ, ইয়াৰ আভিধানিক অর্থ— ব্যৱহাৰ-সম্বন্ধীয়; যিটো কার্যত প্রয়োগ কৰা হয়, তেনে; প্রায়োগিক (Applied)। মধ্যযুগীয় অসমীয়া সাহিত্যৰ ইতিহাসত তেনে ধৰণৰ প্রায়োগিক জ্ঞান সম্বলিত এক শ্রেণীৰ সাহিত্য ৰচিত হৈছিল। বিশেষকৈ ৰাজ-পৃষ্ঠপোষকতাত এই শ্রেণীৰ সাহিত্য সৃষ্টি হৈছিল। সাহিত্যৰ আলোচকসকলে এই শ্রেণীৰ সাহিত্যকে 'ব্যৱহাৰিক সাহিত্য' বুলি চিহ্নিত কৰিছে। আলোচকসকলে বিজ্ঞান সাহিত্যৰ কথা চকুৰ আগত ৰাখি ব্যৱহাৰিক সাহিত্যৰ কৃতিসমূহ আলোচনা কৰি আহিছে। অৱশ্যে ব্যাপক অর্থত ই ব্যাকৰণ,

ভাষাতত্ত্ব, ছন্দ, অলংকাৰ আদি বিষয়ক গ্ৰন্থসমূহকো সামৰি লয়। এই গ্ৰন্থসমূহ উভয় অসমীয়া আৰু সংস্কৃত ভাষাত ৰচিত হৈছিল। শৈলেন ভৰালীৰ সম্পাদনাত গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা *অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি বিষয়ক প্ৰবন্ধ সংকলত* সন্নিৱিষ্ট হোৱা এটি প্ৰবন্ধত মহেশ্বৰ নেওগে বিজ্ঞান সাহিত্যৰ কথা আগত ৰাখি ব্যৱহাৰিক সাহিত্যৰ বিষয়ে কৈ গৈছে— "মেডিকেল লিটাৰেচাৰ যেনেকৈ কোনো প্ৰকাৰ সাহিত্য নহয়, সাধাৰণ পক্ষত বিজ্ঞান আৰু বুৰঞ্জীও সাহিত্য নহয়,— লাগিলে তাক পদ্য কৰিয়ে লিখা হওক।"

কিন্তু মহেশ্বৰ নেওগৰ এই মন্তব্য নিৰ্বিবাদে মানি ল'ব নোৱাৰি। ব্যৱহাৰিক সাহিত্য শ্ৰেণীৰ বৈজ্ঞানিক অধ্যয়নে ভাষা-সাহিত্য আৰু ইতিহাসৰ অধ্যয়ন কৰোঁতাসকলৰ বাবে নতুন দিগন্তৰ উন্মোচন কৰিলে। এই অধ্যয়নৰ পৰিসৰ ব্যাপক। এই অধ্যয়নৰ আধাৰত ক'ব পাৰি যে বিষয়বস্তুৰ ফালৰ পৰা নহ'লেও অন্ততঃ ভাষা শৈলীৰ দৃষ্টিকোণৰ পৰা ব্যৱহাৰিক সাহিত্যক সাহিত্যৰ শ্ৰেণীভুক্ত কৰিব পাৰি। অসমৰ ব্যৱহাৰিক সাহিত্য সম্পৰ্কে বিৰিঞ্চিকুমাৰ বৰুৱাই *অসমীয়া কথা সাহিত্য, পুৰণি ভাগত* আগবঢ়োৱা মন্তব্যটি এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ— "...বিজ্ঞানৰ বিষয়বস্তুৰ ব্যাখ্যাৰ নিমিত্তে উপযোগী পোনপটীয়া বাক্যৰীতিৰ ব্যৱহাৰ এই ৰচনাৱলীত আছে। সেই একে কাৰণেই অৰ্থৰ দুৰ্বোধ্যতা অথবা অৰ্থৰ অস্পষ্টতা দোষৰ পৰা এই গ্ৰন্থসমূহ ভালেখিনি মুক্ত। সাহিত্যিক সৌন্দৰ্য আৰু গদ্য ৰচনা কৌশলৰ কথা এৰিও অসমীয়া কথা সাহিত্যৰ বুৰঞ্জীত এই গ্ৰন্থৰাজিৰ বিশেষ স্থান আছে।" গদ্য-পদ্য উভয়তে ৰচিত এইবিধ সাহিত্যৰ ভিতৰুৱা কেইবাখনিও সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনূদিত হৈছে। আয়ুৰ্বেদ শাস্ত্ৰ, নিদান, জ্যোতিষ, অংক-আৰ্যা, নৃত্য-গীত, গৃহ নিৰ্মাণ আদি বিষয়ৰ গ্ৰন্থৰাজি ব্যৱহাৰিক সাহিত্যৰ অন্তৰ্গত। অসমীয়া ভাষা সাহিত্যৰ ক্ৰমোন্নতিত ইবিলাকৰ বিশেষ ভূমিকা আছে।

মধ্যযুগত অসমত উভয় সংস্কৃত আৰু অসমীয়া ভাষাত ব্যৱহাৰিক বিষয়ৰ গ্ৰন্থ ৰচিত বা অনূদিত হৈছিল যদিও এই শাখাটোত আমি অসমীয়াত ৰচিত হোৱা বা অসমীয়ালৈ অনূদিত হোৱা ব্যৱহাৰিক গ্ৰন্থৰ কথাহে আলোচনা কৰিম। অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ৰমবিকাশত এইবিলাকৰ বিশেষ ভূমিকা আছে। তলত সেই গ্ৰন্থসমূহৰ চমু আলোচনা আগবঢ়োৱা হ'ল।

- ***কিতাবৎ মঞ্জৰী*ঃ** কোচ ৰাজ নৰনাৰায়ণৰ সভাপণ্ডিত বকুল কায়স্থই ভাস্কৰাচাৰ্য দ্বিতীয়ৰ সুবিখ্যাত গ্ৰন্থ *সিদ্ধান্ত শিৰোমণিৰ লীলাৱতী* অংশৰ ভিত্তিত *কিতাবৎ মঞ্জুৰী* ৰচনা কৰিছিলে। কামৰূপ অনুসন্ধান সমিতিত থকা বকুল কায়স্থৰ *কিতাবৎ মঞ্জৰী* ১৩৫৬ শকত স্বৰ্গনাৰায়ণদেৱৰ ৰাজত্বত লিখা হয় বুলি উল্লেখ আছে। গ্ৰন্থখন পদ ছন্দত ৰচিত। ৰাজকীয় বস্তু-বাহিনীৰ হিচাপ কেনেদৰে ৰাখিব লাগে, যোগ-বিয়োগ হিচাপ কেনেদৰে ৰাখিব লাগে, মাটি-বাৰীৰ জোখ কেনেকৈ উলিয়াব লাগে'— এনেবোৰ কথাৰ বিৱৰণ কিতাবৎ মঞ্জৰীত আছে। এই গ্ৰন্থখন অসমত গণিত চৰ্চাৰ প্ৰাচীনত্বৰ ইংগিত বহনকাৰী গ্ৰন্থ।
- ***লীলাৱতী* ঃ** *লীলাৱতী* গ্ৰন্থৰ ভাঙনিকাৰ কবিৰত্ন দ্বিজ। যোগ-বিয়োগ, পূৰণ-হৰণৰ উপৰি বীজ গণিতীয় সমীকৰণৰ বৰ্গমূল, ঘনমূল আদি উলিওৱা নিয়ম লীলাৱতী পুথিত আছে। অৱশ্যে পুথিখনৰ ৰচনাকাল অজ্ঞাত। পুথিখন গদ্যত লিখা।

- ***জ্যোতিষ চূড়ামণি*** ঃ গদ্যত ৰচিত এই গ্ৰন্থখনৰ ৰচক চূড়ামণি দ্বিজ। ইয়াত জ্যোতিষৰ লগতে যোগ-বিয়োগ আৰু জোখ-মাখ সম্পৰ্কীয় কথাও আছে। এই গ্ৰন্থখন কিতাবৎ মঞ্জৰীৰ পৰৱৰ্তী সময়ৰ ৰচনা, কাৰণ ইয়াত চূড়ামণিয়ে বকুল কায়স্থক গুৰু মানি লোৱাৰ কথা উল্লেখ আছে।
- ***শ্ৰীহস্তমুক্তাৱলী*** ঃ শুভংকৰ কবি *শ্ৰীহস্তমুক্তাৱলী*ৰ ৰচক। মহেশ্বৰ নেওগে এই গ্ৰন্থখনৰ ৰচনাৰ সময় চতুৰ্দশ শতিকাৰ পৰা ষোড়শ শতিকাৰ মাজ ভাগৰ ভিতৰত বুলি কৈছে। *শ্ৰীহস্তমুক্তাৱলী*ৰ গদ্যানুবাদৰ প্ৰসংগত মহেশ্বৰ নেওগে লিখিছে যে *শ্ৰীহস্তমুক্তাৱলী*ৰ মূলে সৈতে এটি গদ্যানুবাদ মাজুলীৰ আউনীআটি সত্ৰত ৰক্ষিত হৈছে; অনুবাদকৰ নাম নাই, মাত্ৰ শেষত আছে— 'সুচান্দৰাই ওজাৰ পুস্তক'। নেওগৰ দৃষ্টিত সেই অনুবাদৰ ভাষা অষ্টাদশ শতিকাৰ পাছলৈ যাব নোৱাৰে। অনুবাদৰ দুটা বৈশিষ্ট্যৰ কথা তেওঁ উল্লেখ কৰি গৈছে—
  - হস্ত (অৰ্বাচীন ভাষাত যাক মুদ্ৰা বোলা হয়)সমূহৰ বিনিয়োগ দেখুওৱা অংশত মূল শ্লোকৰ অনুবাদ নিদি সম্ভৱতঃ কোনো টীকাৰ সহায়েৰে বহল বিৱৰণ দিয়া হৈছে।
  - অনুবাদৰ ভাষা প্ৰাঞ্জল আৰু মনোজ্ঞ।
- ***অঙ্কৰ আৰ্য্যা*** ঃ কাশীনাথে *অঙ্কৰ আৰ্য্যা* ৰচনা কৰিছিল। এইখন গদ্যত লিখা গণনা বিষয়ক গ্ৰন্থ।
- ***কামৰত্ন তন্ত্ৰ*** ঃ সুচান্দ ওজা *কামৰত্ন তন্ত্ৰ*ৰ ৰচনাকাৰ। ইয়াত বশীকৰণ, স্তম্ভন, মাৰণ, উচাতন কেনেকৈ সাধন কৰিব পাৰি তাক বৰ্ণনা কৰা আছে অসমীয়া কথ-ভাঙনিত।
- ***ভাস্ৱতী*** ঃ কবিৰাজ ৰামনাৰায়ণ চক্ৰৱৰ্তীয়ে *ভাস্ৱতী* নামৰ জ্যোতিষী বিষয়ক এখন গ্ৰন্থ গদ্যৰ ভাষাত ৰচনা কৰিছিল। কবিৰাজে আহোম ৰজা ৰুদ্ৰসিংহ, শিৱসিংহ আৰু ৰজা ফুলেস্ৱৰীৰ পৃষ্ঠপোষকতা লাভ কৰিছিল।
- ***হস্তীবিদ্যাৰ্ণৱ*** ঃ *হস্তীবিদ্যাৰ্ণৱ* গ্ৰন্থখন শিৱসিংহ আৰু ৰাণী অম্বিকাৰ আদেশত সুকুমাৰ বৰকাথে গদ্যত ৰচনা কৰিছিল। গ্ৰন্থখনৰ ভিত্তি শম্ভুনাথ প্ৰণিত সংস্কৃত গ্ৰন্থ *গজেন্দ্ৰ-চিন্তামণি*। পুথিখনত হাতীৰ শ্ৰেণী, প্ৰকৃতি, বেমাৰ আৰু ঔষধ আদিৰ বহুমূলীয়া বিৱৰণ সৰল কথিত ভাষাত দিয়া হৈছে। গ্ৰন্থখনৰ ৰচনাকাল সম্বন্ধে মহেশ্বৰ নেওগে তাৎপৰ্যপূৰ্ণ উদ্ধৃতি সন্নিৱিষ্ট কৰিছে— "শকৰ ১৬৫৬ আতে চিত্ৰ কৰিবলৈ আজ্ঞা কৰিলে দিলবৰ দোচায় দুই লিখকক।"
- ***ঘোঁৰানিদান*** ঃ *ঘোঁৰানিদানৰ* ৰচনাকাৰো সুকুমাৰ বৰকাথ। গদ্য শৈলীত ৰচিত এই গ্ৰন্থখনত ঘোঁৰাৰ জাতি, লক্ষণ, বেমাৰ আৰু প্ৰতিকাৰৰ বৰ্ণনা কৰিছে। এই গ্ৰন্থখনো ৰজাঘৰীয়া অনুপ্ৰেৰণাত ৰচিত। ব্যৱহাৰিক বিষয়ৰ পুথি কাৰণেই ইয়াত ব্যৱহাৰিক ভাষাৰ প্ৰয়োগ ঘটিছে।
- ***নীতি-লতাঙ্কুৰ*** ঃ মধুমিশ্ৰ বাগীশ *নীতি-লতাঙ্কৰ* ৰচক। আউনিআটী সত্ৰৰ ষষ্ঠ অধিকাৰ প্ৰাণহৰিদেৱৰ দিনত তেওঁ দুৱৰা বংশৰ হৰনাথ ভিতৰুৱাল ফুকনৰ অনুপ্ৰেৰণাত এই

গ্ৰন্থখন গদ্যত ৰচনা কৰিছিল বুলি আউনীআটি সত্ৰৰ বুৰঞ্জীত খৰচি মাৰি আলোচনা কৰিছে। এই তথ্যৰ সূত্ৰ সন্নিৱিষ্ট হৈছে সত্যেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*। গ্ৰন্থৰ মূল পাঠসমূহ সংস্কৃতত আছে। কিন্তু তাৰ ভাঙনিসমূহ অসমীয়া গদ্যৰ বিশুদ্ধ চানেকি। ইয়াত আঠোটা বিষয়ৰ আলোচনা আছে। মন্ত্ৰণাৰ বিষয়, স্থান, কাল, পাত্ৰ আদি, নীতিবৃক্ষৰ বৰ্ণনা, সন্ধিৰ প্ৰকাৰ, বিগ্ৰহ, ত্ৰিবৰ্গ, ক্ষয়, সাধনা, বৃদ্ধি অষ্টবৰ্গ (কৃষি, বাণিজ্য, দুৰ্গ, সেতু, কুঞ্জৰ, বন্ধন, খন্যাকৰ, বলাদান, শূন্যনিৱেশন) চাৰি উপায় (সাম, দান, ভেদ, দণ্ড), যান ব্যৱস্থা, কোট ব্যৱস্থা, ব্যূহ ব্যৱস্থা, অক্ষৌহিণীগণনা আদি ৰাজনীতিৰ প্ৰয়োজনীয় জ্ঞান গ্ৰন্থখনত দিছে। মূল শ্লোকৰ ভাঙনিৰ ভাষা প্ৰসন্নগম্ভীৰ। এই গদ্য বুৰঞ্জীৰ গদ্যৰ সমপৰ্যায়ৰ।

এইখিনিয়েই হ'ল উল্লেখযোগ্য ব্যৱহাৰিক সাহিত্য। মন কৰিব যে, অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ইতিহাসত ব্যৱহাৰিক গ্ৰন্থ কেইখনত প্ৰয়োগ হোৱা গদ্যৰ বিশেষ গুৰুত্ব আছে। দুটিমান উদাহৰণেৰে কথাখিনি বুজাই কোৱা হ'ল—

- **ধ্বনিগত বৈশিষ্ট্য ঃ** ব্যৱহাৰিক সাহিত্যৰাজিৰ ধ্বনিগত প্ৰয়োগত পৰিলক্ষিত হোৱা কেইটামান বিশেষত্ব এনে ধৰণৰ—
  - ➢ 'অ'ৰ ঠাইত 'উ' — নুৱৰিয়া (নৰিয়া)
  - ➢ 'ই'ৰ ঠাইত 'ঞি' — তাঞিকে (তাইকে)
  - ➢ 'শ'ৰ ঠাইত 'স' — সুকুলা (শুকুলা)
  - ➢ 'ন্দ'ৰ ঠাইত 'দ' — মাখুঁদি (মাখুন্দি)
- **ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ** ব্যৱহাৰিক সাহিত্যৰ কৃতিসমূহৰ ভাষাৰ ক্ষেত্ৰত ধ্বনিগত বৈশিষ্ট্য পৰিলক্ষিত হোৱাৰ দৰে ৰূপতাত্ত্বিক দিশতো বিশেষ বৈশিষ্ট্য পৰিলক্ষিত হয়। আলোচকসকলৰ ভাষাত ক'বলৈ গ'লে বুৰঞ্জীৰ ভাষাৰ লগত ব্যৱহাৰিক সাহিত্যৰ ভাষা একে পৰম্পৰাতে ৰচিত হৈছে। গতিকে বুৰঞ্জীৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ লগত এইবিধ সাহিত্যৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ সাদৃশ্য মন কৰিবলগীয়া।
  - ➢ সৰ্বনাম — তঞি, মোত, মই, আমি, আপুনি আদি।
  - ➢ নিৰ্দিষ্টতাবাচক প্ৰত্যয় — খন, টো, টা, গচ, মহা, জোৰ আদি।
  - ➢ অব্যয় — এতেকে, নিছিনা, কিন্তু, জদি, তথাপি আদি।
  - ➢ কৃদন্তৰূপ — কৃদন্তৰূপ কৰোঁতে ওঁতে প্ৰত্যয়ৰ ঠাইত ঞোঁতেৰ প্ৰয়োগ হয়। উদাহৰণ— জাঞোঁতে, খাঞোঁতে।
- **শব্দতত্ত্ব ঃ** ব্যৱহাৰিক সাহিত্যৰ প্ৰয়োগ হোৱা শব্দৰ ভিতৰত সংস্কৃত আৰু অনা সংস্কৃত শব্দ (যেনে— প্ৰভাত, তেন্তেলি, ঋতু), কামৰূপী উপভাষাৰ শব্দ (যেনে— বুলন, ৰাজা, ভিঠা), অন্যান্য দেশী আৰু বিদেশী ভাষাৰ শব্দৰ প্ৰয়োগ ঘটিছে। বাংলা শব্দ যেনে— গৈছেন, নাকৰিলাম আদিৰ ব্যৱহাৰো আছে।

- **বাক্যতত্ত্ব ঃ** ব্যৱহাৰিক সাহিত্যৰ ভাষাৰ আলোচনাত বাক্যতত্ত্বৰ আলোচনাও অপৰিহার্য। বাক্য গঠনৰ প্ৰণালীৰ ক্ষেত্ৰত অতি চুটি, সহজ-সৰল বাক্যৰ প্ৰয়োগ আছে। কেইটামান বাক্যৰ আৰ্হি উল্লেখ কৰা হ'ল—

  "পাছে ৰাজাএ প্ৰভাতে পণ্ডিতৰ হতোৱাএ চোৱালে।" *(শ্ৰীহস্তীবিদ্যাৰ্ণৱ)*

  "ঘোৰা কাহে যদি তাকে কাম বোলে।" *(ঘোঁৰানিদান)*

  "প্ৰভু কামৰূপতন্ত্ৰ মোত কহা।" *(কামৰূপতন্ত্ৰ)*

এইদৰে বিচাৰ কৰিলে দেখা যায় যে, মধ্যযুগীয় অসমীয়া ভাষাৰ বিকাশৰ ক্ষেত্ৰত ব্যৱহাৰিক সাহিত্যৰাজিৰ মূল্য কোনো গুণে হীন নহয়। সাহিত্যৰ বোঁৱতি সূতিয়ে সাহিত্যৰ ইতিহাসলৈ পৰিৱৰ্তন আৰু নতুনত্ব কঢ়িয়াই আনে। অসমীয়া সাহিত্যৰ ক্ষেত্ৰটো একে কথা প্ৰযোজ্য। এই কথাৰ খেও ধৰিয়েই ক'ব পাৰি শংকৰোত্তৰ যুগটোক সেই টোৰে স্পৰ্শ কৰিলে আৰু সাহিত্যৰ ক্ষেত্ৰত ন ন বীজৰ অংকুৰণ ঘটিল। পৰৱৰ্তী সময়ছোৱাত অসমীয়া ভাষা-সাহিত্যই আধুনিকতাৰ অভিমুখে এখোজ-দুখোজ আগবঢ়োৱাত এই সমলসমূহে যথেষ্ট অৰিহণা আগবঢ়ালে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ব্যৱহাৰিক সাহিত্য ৰচনাসমূহৰ মূল বিষয়বস্তু কি। সেই ৰচনাসমূহৰ ভাষাতাত্ত্বিক দিশ সম্পৰ্কে চমুকৈ লিখক।

(১৫০টা শব্দৰ ভিতৰত লিখক)



চিন্তা-চৰ্চা কৰক ১৩.৪

অধিক জানিবলৈত উল্লেখ থকা কিতাপসমূহৰ আধাৰত ব্যৱহাৰিক সাহিত্যৰ ৰচকসকলৰ আৰু তেওঁলোকৰ পৃষ্ঠপোষক ৰজাসকলৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মধ্যযুগীয় অসমীয়া সাহিত্য সম্পদসমূহৰ ভিতৰত 'বুৰঞ্জী সাহিত্য' অন্যতম।
- বুৰঞ্জী সাহিত্য আহোম ৰজাঘৰীয়াৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত গঢ়ি উঠা শ্ৰেষ্ঠ সাহিত্য সম্পদেই নহয়; অসমীয়া ভাষা-সাহিত্যলৈও বুৰঞ্জী সাহিত্যৰাজি আহোমসকলৰ অতুলনীয় দান।
- আহোমসকলে বুৰঞ্জীক পৱিত্ৰ বস্তু হিচাপে জ্ঞান কৰিছিল। বুৰঞ্জী পাঠ বা শ্ৰৱণ আহোম সকলৰ জাতিগত পৰম্পৰা।

- *চৰিত পুথিৰ* দৰে বুৰঞ্জীসমূহো গদ্য আৰু পদ্য উভয় মাধ্যমতে ৰচিত যদিও গদ্যত লিখা বুৰঞ্জীৰ পৰিমাণ সৰহ।
- বুৰঞ্জীসমূহ ৰজাঘৰীয়া উদ্যোগ আৰু ব্যক্তিগত উদ্যোগ —এই দুই প্ৰচেষ্টাতে ৰচনা হ'লেও ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জীৰ সংখ্যা অধিক।
- সংখ্যাৰ পিনৰ পৰা সম্প্ৰতি প্ৰায় ডেৰশমান বুৰঞ্জীৰ অস্তিত্ব আছে।
- টাই বা তাই আৰু অসমীয়া উভয় ভাষাতে বুৰঞ্জীসমূহ ৰচিত হৈছিল। অৱশ্যে প্ৰায় ষোড়শ শতিকাৰ পৰা অসমীয়াত বুৰঞ্জী লিখা পৰ্ব আৰম্ভ হোৱাৰ পৰা টাই ভাষাত লিখা লাহে লাহে কমি আহে।
- প্ৰায় তিনি-চাৰিটা শতিকাজুৰি বুৰঞ্জীসমূহ ৰচিত হ'লেও (অসমীয়া ভাষাত লিখা বুৰঞ্জী) অষ্টাদশ শতিকাত লিখা বুৰঞ্জীৰ পৰিমাণেই বেছি।
- বুৰঞ্জীসমূহৰ বিষয়বস্তু কেৱল অসম বা আহোম ৰাজ্যৰ পটভূমিয়ে নহয়, দাঁতিকাষৰীয়া (যেনে— *ত্ৰিপুৰা বুৰঞ্জী*) বা অন্য ৰাজ্যৰ (যেনে— *পাদশ্যাহ বুৰঞ্জী*) পটভূমিতো বুৰঞ্জী ৰচিত হৈছিল।
- বুৰঞ্জীৰ গদ্য আধুনিক অসমীয়া গদ্যৰ ক্ৰমবিকাশৰ অনুপম স্বাক্ষৰ।
- বুৰঞ্জীসমূহত ৰাজনৈতিক বা ঐতিহাসিক ঘটনাৰেই বিৱৰণ নাই; বৰং সামাজিক আৰু সাংস্কৃতিক দিশৰো বৰ্ণনা প্ৰচুৰ। সেই পিনৰ পৰা বুৰঞ্জী সাহিত্য ঐতিহাসিক আৰু সাহিত্যিক দুয়োবিধ মূল্যৰে সমৃদ্ধ।
- ব্যৱহাৰিক সাহিত্যৰ আলোচনাৰ মাজেদি সমসাময়িক অসমীয়া সামাজিক জীৱনৰ লগতে সমজুৰাৰ মনত ক্ৰমশঃ জীপ ল'বলৈ ধৰা বৈজ্ঞানিক চিন্তাৰ বিষয়ে আভাস লাভ কৰিলে।



১৩.৭ অধিক জানিবলৈ

১) কটকী, প্ৰফুল্ল (২০১১); *ক্ৰমবিকাশত অসমীয়া কথাশৈলী*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

২) কোঁৱৰ, অৰ্পনা (২০১০); *প্ৰাচীন অসমীয়া গদ্য-শৈলী*; গুৱাহাটী ঃ ডিব্ৰুগড় ঃ বনলতা।

৩) কোঁৱৰ, অৰ্পনা (২০১৩); *ভাষা-সাহিত্যৰ বিবিধ চিন্তা*; গুৱাহাটী ঃ ডিব্ৰুগড় ঃ বনলতা।

৪) গগৈ, লীলা (২০১৪); *বুৰঞ্জী সাহিত্য*; গুৱাহাটী ঃ ডিব্ৰুগড় ঃ বনলতা।

৫) দেৱ গোস্বামী, ৰঞ্জিৎ কুমাৰ (সম্পা.) (২০১৫); *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (পঞ্চম খণ্ড); উত্তৰ গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৬) নেওগ, মহেশ্বৰ (১৯৮৬); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; টিহু-গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) পাটগিৰি, দীপ্তি ফুকন (২০১১); *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙনি*; গুৱাহাটী ঃ ডিব্ৰুগড় ঃ বনলতা।

৮) বৰুৱা, বিৰিঞ্চি কুমাৰ (২০০১); *অসমীয়া ভাষা আৰু সংস্কৃতি*; নলবাৰী ঃ জাৰ্ণাল এম্পৰিয়াম।

৯) বৰুৱা, বিৰিঞ্চি কুমাৰ (২০১৬); *অসমীয়া কথা-সাহিত্য*; নলবাৰী ঃ জাৰ্ণাল এম্পৰিয়াম।

১০) শৰ্মা, নবীন চন্দ্ৰ (২০১৩); *অসমৰ সাংস্কৃতিক ইতিহাস* (দ্বিতীয় ভাগ); অসম সাহিত্য সভা।

১১) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৩); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী, ৰিহাবাৰী ঃ প্ৰতিমা দেৱী।

১৩.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ 'বুৰঞ্জী' শব্দটো যে টাই ভাষাৰ শব্দ সেই সম্পৰ্কে লিখি বুৰঞ্জীক কিয় মূৰ্খৰ শিক্ষাৰ ভঁৰাল বোলা হয় লিখিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ সময় আৰু বিষয়বস্তু অনুসৰি অসমীয়া বুৰঞ্জী সাহিত্যক কেবাটাও ভাগত ভাগ কৰিব পাৰি।... ...লীলা গগৈ আৰু সূৰ্য্যকুমাৰ ভূঞাৰ শ্ৰেণীবিভাজন কৰি দেখুৱাওঁক।

৩নং প্ৰশ্নৰ উত্তৰ ঃ কথাৰীতি বা কথনভঙ্গীয়েই গদ্য ৰীতি।... ...বুৰঞ্জীসমূহ সত্যৰ ওপৰত প্ৰতিষ্ঠিত, ...ই পোনপটীয়া, ...অথবা ই নিৰপেক্ষ বৰ্ণনা ইত্যাদি সম্পৰ্কে চমুৱাই লিখক।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ঐতিহাসিক দিল্লীৰ পটভূমিত পাদশ্যাহ বুৰঞ্জী ৰচিত।... ...ইয়াৰ বিষয়বস্তু অসমৰ নহয়। পাদশ্যাহ বুৰঞ্জীত দাঙি ধৰা পৰিচয় ব্যক্ত কৰিবলৈ যত্ন কৰক।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ইয়াত ব্ৰাহ্মণ আৰু বৈষ্ণৱ ভক্তৰ বিবাদকে আদি কৰি ব্ৰাহ্মণসকলে সমাজৰ ধৰ্মীয় কাৰ্য্যৰ নেতৃত্ব কেনেকৈ বহন কৰিছিল লিখিব লাগিব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ব্যৱহাৰিক সাহিত্যৰাজিত যে জীৱনৰ প্ৰায়োগিক দিশৰ লগত সম্পৰ্ক থকা বিষয় সম্পৰ্কে আলোচনা কৰা হয় সেই কথা লিখিবি লাগিব... ...ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দতাত্ত্বিক, বাক্যতত্ত্বগত বৈশিষ্ট্য উদাহৰণসহ উল্লেখ কৰিব লাগিব।

১৩.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'বুৰঞ্জী' শব্দটিৰ মূল ব্যাখ্যা কৰি অৰ্থ নিৰূপণ কৰক।

প্ৰশ্ন ২ ঃ "বুৰঞ্জী সাহিত্য আহোম সকলৰ শ্ৰেষ্ঠ কৃতি" —ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া বুৰঞ্জী সাহিত্যৰ উৎপত্তি আৰু বিকাশ দেখুৱাই এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৪ ঃ বিষয়বস্তু অনুসৰি বুৰঞ্জীসমূহক শ্ৰেণী বিভাজন কৰি দেখুৱাওক।

প্ৰশ্ন ৫ ঃ বুৰঞ্জী সাহিত্যৰ গদ্যৰীতিৰ বৈশিষ্ট্য নিৰূপণ কৰক।

প্ৰশ্ন ৬ ঃ বুৰঞ্জী সাহিত্যৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ কি আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ বুৰঞ্জী সাহিত্য সৃষ্টি ৰজাঘৰীয়া পৃষ্ঠপোষকতা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৮ ঃ বুৰঞ্জী সাহিত্যৰ আধাৰত সমসাময়িক সমাজ জীৱনত চিত্ৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৯ ঃ বুৰঞ্জীক সাহিত্যৰ মান নিৰূপণ কৰি এটি টোকা লিখক।

প্ৰশ্ন ১০ ঃ সুকুমাৰ মহন্তৰ ঘৰত উদ্ধাৰ হোৱা বুৰঞ্জীখনৰ বিষয়বস্তু ব্যাখ্যা কৰক।

প্ৰশ্ন ১১ ঃ অসমীয়া ভাষাত ৰচিত বুৰঞ্জী সাহিত্য সম্পৰ্কে লিখক।

প্ৰশ্ন ১২ ঃ অসমীয়া ব্যৱহাৰিক সাহিত্যৰাজিৰ বৈশিষ্ট্য কি? আধুনিক অসমীয়া ভাষাৰ ক্ৰমবিকাশত এই শ্ৰেণীৰ সাহিত্যৰ কিবা ভূমিকা আছেনে?

*** ***** ***